REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

Assam

Legislative Assembly Debates

OFFICIAL REPORT

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

VOL. XIV
NO. 21

The 8th March, 1976

सत्यमेव जयते

1989

PRINTED AT GUPTA PRINTERS, GUWAHATI-781 006

REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1976,

BUDGET SESSION

VOLUME—XIV

No. 21

Dated the 8th March, 1976

CONTENTS

	PAGES
1. Questions and Answers	1—34
2. Voting on Demands for Grants	35—98
3. Adjournment	98

Proceedings of the Fourteenth Session of the Assam Legislative Assembly assembled after the Fifth General Election under Sovereign Democratic Republican Constitution of India

The House met in the Assembly Chamber, Dispur, Gauhati On Monday, the 8th March, 1976 with the Hon'ble Speaker in the Chair 14 (Fourteen) Ministers, 5 (Five) Ministers of State, 1 (One) Deputy Minister and 67 (Sixty seven) Members present

STARRED QUESTIONS AND ANSWERS

Date : 8th March, 1976

Starred Question No. 239 was not put Member being absent

বিঃ প্ৰেক্ষা গৃহ

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে ঃ

*২৪০। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম কৃষি বিশ্ববিদ্যালয়খনত এটা অৰ্দ্ধ নিৰ্মিত প্ৰেক্ষা গৃহ আছে নেকি ?

(খ) যদি আছে, তেন্তে এই প্ৰেক্ষা গৃহটোৰ আধাৰ শিলা কেতিয়া স্থাপন কৰা হল ?

(গ) প্ৰেক্ষা গৃহটোৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ নোহোৱাৰ কাৰণ কি ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (কৃষি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

২৪০। (ক)—হয়, আছে।

(খ)—১৯৬৯ চনৰ ২৬ মে' তাৰিখে।

(গ)—গড়কাপ্তানী বিভাগৰ মতে ঘৰ বন্ধা সামগ্ৰী যেনে—চিমেণ্ট, লো আদিৰ অভাৱ হোৱাৰ বাবে নিৰ্মাণ কাৰ্য্যত বাধা হৈছিল।

শ্ৰীসোনেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, আধাৰ শীলা কোনে স্থাপন কৰিছিল ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) ঃ চাৰ, ডঃ এচ, আৰ, বৰুৱাই।

শ্ৰীসোনেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, এই প্ৰেক্ষা গৃহটো সম্পূৰ্ণ হবলৈ আৰু কিমান দিন লাগিব ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) ঃ চাৰ, অক্টোবৰ মাহৰ ২৭ তাৰিখে শেষ হোৱাৰ কথা আছিল, কিন্তু আগৰ যি এষ্টিমেট আছিল সেইটো সলনি কৰি শতকৰা ১৫ ৰ ঠাইত শতকৰা ৫ ভাগ কৰা হৈছে আৰু এই কথা ফাইনেন্সলৈ ৰেফাৰ কৰা হৈছে কিন্তু খৰচটো নিৰ্ধাৰণ নোহোৱাৰ বাবে কামটো বিশেষ আগবাঢ়িব পৰা নাই, যদিও কিছু কাম হৈ গৈছে।

শ্ৰীসোনেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, এই আঁচনিখন কিমান টকাৰ এষ্টিমেট আছিল ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) ঃ চাৰ, প্ৰথমে ৮ লাখৰ ওপৰত আছিল, তাৰ পিছত ৯ লাখ, ৯০ হেজাৰ ৫ শ টকালৈ ৰিভাইচ কৰা হল।

শ্ৰীজালালুদ্দিন আহমেদ ঃ এই প্ৰেক্ষা গৃহটো নিৰ্মাণ কাৰ্য্যত এতিয়ালৈকে কিমান টকা খৰচ কৰা হৈছে আৰু কোন চনত আৰম্ভ কৰা হৈছে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) ঃ চাৰ ৪ লাখ ৬৩ হেজাৰ, ৫৯২ টকা খৰচ কৰা হৈছে ১৯৭৫ চনলৈ।

Re : Director of Movement, Assam, Calcutta

Shri ABDUL MUQTADIR CHOUDHURY asked :

*241. Will the Chief Minister be pleased to state—

The functions of the Director of Movements, Assam House, Calcutta ?

Shri SARAT CHANDRA SINHA (Chief Minister) replied :

241. The duties and functions of the Trade Adviser and Director of movements, Government of Assam Calcutta are—

(1) Sponsoring movement by rail to Assam of essential commodities in Government account and also in Traders account in special cases.

(2) Purchase and movement of Iron and Steel materials on behalf of the Panchayat and community Development Department and the Directorate of Consumer Goods, Assam.

(3) Issue of permit under the Foreigner's (Restricted Areas) Orders, 1963.

(4) Clearance of goods imported by State Government Departments and Public Undertakings from Customs and Ports Commissioners and ensuring their despatch to various destination in Assam. Also looking after the exports made by various Public

Sectors Undertakings of the State Government and arranging for their handling.

(5) Overall control and supervision of the Circuit House situated at Assam Bhavan, Calcutta.

(6) Maintaning necessary liason with Industries in Calcutta on behalf of the Industries Department and ensuring despatch of Industrial Stores. Helping Public Sactor on request in their purchase and sales.

(7) Generally representing the Government of Assam in various matters.

(8) Looking after the matters of interest of office of the Assam State Electricity Board in Calcutta, Assam Government Marketing Corporation's Sales Emporium, Assam Cement Limited, Ashok Paper Mills, Assam Government Construction Corporation Limited, etc.

(9) Undertaking, responsibilities of selling the Assam Government State Lottery Tickets.

Shri Abdul Muqtadir Choudhury : Mr. Speaker, Sir, as the Director of Movement is also the Trade Adviser to the Govt. of Assam, may I know from the Hon'ble Chief Minister what advice he has given to the Govt. of Assam during the year 1975-76 ?

Shri Sarat Chandra Sinha (Chief Minister): Sir, as Trade Adviser, he helps us in various matters as I have already enumerated in my reply to this question.

Shri Abdul Muqtadir Choudhury : Mr. Speaker, Sir, may I know from the Hon'ble Chief Minister whether it is a fact that the volume of work at present does not justify the retention of such post at Calcutta ?

Shri Sarat Chandra Sinha (Chief Minister): Sir, that is a matter of opinion. As far as I understand, it is necessary to maintain a Liason officer who can help in various matters as I have already enumerated. Sir, as we know, Calcutta is the only city with which we are directly connected and therefore, entire economic affairs of the State is closely linked up with that city. As the Calcutta is the biggest city in the country, it is necessary that we should maintain such an officer who can represent the Govt. of Assam in various matters.

Shri Premodhar Bora: Sir, how many personnel are serving under him?

Shri Sarat Chandra Sinha (Chief Minister): Sir, I am giving the details: 1 Trade Adviser, 1 Liason officer, 1 Registrar, 3 Inspectors (Gazetted), 1 Inspector (Non-gazetted), 2 Suparitendent, 1 U. D.-cum-Accountant, 1 Accountant, 1 U. D. A., 3 L. D. A., 12 Stenographer, 1 Typist, 3 Drivers, 1 Duftery, 9 Peons, 2 Chowkidars. Total number is 47. This is for Trade Adviser's establishment. There is another establishment for Circuit House Wing and in that establishment 28 persons are working. Then, sir, there is another department called Administration of Foreigners Act. They are two (2). Total numbers are 77.

Shri Premodhar Bora: Sir, whether the Director is an I. A. S. cadre or an A. C. S. cadre?

Shri Sarat Chandra Sinha (Chief Minister): Sir, it is an I. A. S. cadre.

শ্ৰীআটাউৰ ৰহমান: অধ্যক্ষ মহোদয়, ষ্টেন'গ্ৰাফাৰৰ সংখ্যা ১২ জন বুলি কোৱা হৈছে, সংখ্যাটো অলপ বেছি হোৱা নাই নে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী): অধ্যক্ষ মহোদয়, বেছি হোৱা বুলি

কোৱা টান, কাৰণ কেতিয়াবা কেতিয়াবা কাম বেছি হয়, অৱশ্যে এইটো কথা ঠিক যে কেতিয়াবা কেতিয়াবা কাম কমো হয়।

শ্ৰীআব্দুল হান্নান চৌধুৰী ঃ অধ্যক্ষ মহোদয়, এই যিবিলাক অফিচাৰ আছে, তেওঁলোকক অসমৰ পৰা ৰিক্ৰুইট কৰি নিয়া হৈছে নে নাই তাৰ পৰাই নিয়া হৈছে ? যদি হৈছে অসমীয়াৰ সংখ্যা কিমান ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) ঃ চাৰ, অসমৰো আছে আৰু তাৰো আছে, সংখ্যা কোৱা টান।

Starred Question No. 242 not put the member being absent.

বি ঃ উন্নয়ন খণ্ড

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে ঃ

*২৪৩। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ উন্নয়ন খণ্ড সমূহক এতিয়া কি কামৰ দায়িত্ব দিয়া হৈছে ?

(খ) কিমানটা উন্নয়ন খণ্ডত খণ্ড উন্নয়ন বিষয়া নাই ?

(গ) খণ্ড উন্নয়ন বিষয়া সকলক কি অৰ্হতাৰ ভিত্তিত নিয়োগ কৰা হয় ?

শ্ৰীচৈয়দ আহমেদ আলি (পঞ্চায়ত বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

২৪৩। (ক) অসমৰ উন্নয়ন খণ্ড সমূহক এতিয়া প্ৰধানকৈ তলত উল্লেখ কৰা দায়িত্ব সমূহ দিয়া হৈছে—

১। মহকুমা পৰিষদৰ নিয়ন্ত্ৰণ সাপেক্ষে মহকুমা পৰিষদৰ আঁচনিবোৰ আৰু কাৰ্য্যক্ৰম সমূহ উন্নয়ন খণ্ড অঞ্চলত নিৰ্ব্বাহ।

২। গাওঁ পঞ্চায়ত সমূহৰ দ্বাৰা নিৰ্ব্বাহৰ বাবে লবলগীয়া কাৰ্য্যবোৰৰ

কাৰিকৰী সাহায্য আৰু পৰ্য্যবেক্ষণ।

৩। উন্নয়ন খণ্ড অঞ্চলত বিভাগীয় মূৰব্বী সকলক তেওঁলোকৰ আঁচনি সমূহ ৰূপায়ণত সাহায্য প্ৰদান আৰু

৪। বানপানী, দুৰ্ভিক্ষ আদি জৰুৰী অৱস্থাত মহকুমাধিপতি, উপায়ুক্ত সকলক সৰ্ব্বতো প্ৰকাৰে সাহায্য কৰা।

(খ) ৯০ টা।

(গ) অসম লোকসেৱা আয়োগৰ যোগেদি খণ্ড উন্নয়ন বিষয়া সমূহ নিযুক্তি দিয়া হয়। এই নিযুক্তিৰ কাৰণে প্ৰাৰ্থীসমূহৰ নিম্নতম অৰ্হতা বিশ্ববিদ্যালয়ৰ স্নাতক ডিগ্ৰী হব লাগে। উন্নয়ন খণ্ড সমূহত কাম কৰি থকা সম্প্ৰসাৰণ (Extention officer) বিষয়া সকলক খণ্ড উন্নয়ন বিষয়ালৈ পদোন্নতি দিয়াৰ ব্যৱস্থা আছে। এই পদোন্নতি চাকৰীৰ দীৰ্ঘতা আৰু যোগ্যতাৰ ভিত্তিত দিয়া হয়।

শ্ৰীলক্ষীকান্ত শইকীয়াঃ এই উন্নয়ন বিষয়া সকলৰ যিবিলাক কাম আছে সেই বিলাক কাম যিহেতু মহকুমা পৰিষদৰ বিষয়া সকলৰ জৰিয়তে কৰা হয়। এই বিষয়া সকলে একো একোটা বিৰাট আবাস লৈ বহি থকাৰ বাহিৰে একো কাম নাই। গতিকে এই বিষয়া সকলক বেলেগে দায়িত্ব দিয়াৰ ব্যৱস্থা কৰিবনে?

চৈয়দ আহম্মদ আলী (মন্ত্ৰী)ঃ এই বিষয়ে পঞ্চায়ত আইনৰ ৩৪ ধাৰাত এইটো উল্লেখ কৰা হৈছে। তথাপিও যদি মাননীয় সদস্য ডাঙৰীয়াই বিচাৰে মই বেলেগে চাৰ্কুলাৰ ইচু কৰি দিম।

শ্ৰীলক্ষীকান্ত শইকীয়াঃ এইটো মোৰ ব্যক্তিগত কথা নহয়। যিহেতু খণ্ড উন্নয়ন বিষয়া সকলক মহকুমা পৰিষদৰ লগত জৰিত কৰি দিয়া হৈছে তথাপিও তেওঁলোকৰ ওপৰত নিয়ন্ত্ৰণ নথকাৰ কাৰণে কাম একো হোৱা নাই। আনহাতে ৯০টা পদবী যে খালি আছে সেই কেইটাৰ আৱশ্যকতা নাই বুলি ধৰি লৈছে নেকি? নতুবা সেই পদবী কেইটা পূৰণ কৰি তেওঁলোকৰ স্বকীয়া কাম দিয়াৰ ব্যৱস্থা কৰিব নেকি?

চৈয়দ আহম্মদ আলী (মন্ত্ৰী): এই ৯০টা খালী পদবীৰ বি, ডি, ওৱ কাৰণে আমি ইংৰাজী ১৯৭৩ চনতে পাব্লিক চাৰ্ভিচ কমিচনলৈ লিখিছিলো। আজি তিনি বছৰ হৈ গ'ল। কেবাবাৰো ৰিমেইন্দাৰ দিয়া হৈছে। শুনিবলৈ পাইছো অলপতে ইণ্টাৰভিউ হৈ গ'ল। অলপ দিনৰ ভিতৰতে লিষ্ট এখন দি পঠাব আৰু সেই লিষ্ট অনুযায়ী ৯০টা খালী ঠাই পুৰণ কৰিব পৰা হব। কাম অনুপাতে তেওঁলোকক যি টকা দিয়া হয় সেইখিনিও চাবৰ কাৰণে কোনো বিষয়া নাই। গতিকে বি ডি ওৰ তলত যিখিনি কাম আছে সেইখিনি মহকুমা পৰিষদে চলাই আছে।

শ্ৰীকন্দৰ্প কুমাৰ দাস: খণ্ড উন্নয়নৰ বিষয়া সকলৰ কাম চলাৰৰ কাৰণে যিবিলাক গাড়ী দিয়া হৈছিল সেই গাড়ী বিলাক বেয়া হোৱাৰ বাবে মহকুমা পৰিষদে লৈ গ'ল। এই বিষয়া সকলক গাড়ী দিয়াৰ বাবে কিবা নতুন গাড়ী দিয়াৰ ব্যৱস্থা আছে ?

চৈয়দ আহম্মদ আলী (মন্ত্ৰী): এই জীপ গাড়ীৰ কথাটো মই এতিয়াহে শুনিছো। সভাপতি, চিফ্ এক্‌জিকিউটিভ কাউন্সিলাৰ, কাউন্সিলাৰ আদিৰ মফচলৰ কাৰণে গাড়ী কেতিয়াবা দৰকাৰ হয়। গতিকে এইটো কথা মোক ভালদৰে জনালে পিচত মই অনুসন্ধান কৰি চাম।

শ্ৰীসোনেশ্বৰ বৰা: এই বি, ডি, ও, সকলক কেতিয়াবা কেতিয়াবা মেজিষ্ট্ৰেতৰ ক্ষমতাও দিয়া হয় নেকি ?

চৈয়দ আহম্মদ আলী (মন্ত্ৰী): এতিয়া নহয়। আগতে এ, চি, এচ, (২য় শ্ৰেণী) অফিচাৰকে ল' এণ্ড অৰ্ডাৰ মতে থাৰ্ড ক্লাচ পাওৱাৰ দিয়া হৈছে।

শ্ৰীসোনেশ্বৰ বৰা: যি সকলক পদোন্নতি হয়, কিন্তু আচলতে মেট্ৰিকুলেট বা আন্দাৰ মেট্ৰিকহে সেই লোক সকলক ক্ষমতা দিয়া হয়নে ?

চৈয়দ আহম্মদ আলী (মন্ত্ৰী): দিয়া নাই।

শ্ৰীআটাউৰ ৰহমান: খণ্ড উন্নয়ন বিষয়া সকলে কাগজ-কলম আদিৰ কাৰণে যি টকা খৰচ হয় সেই টকা মহকুমা পৰিষদে বহন কৰিব লাগে।

কিন্তু বহুতো ক্ষেত্ৰত দেখা হৈছে মহকুমা পৰিষদে সেই টকা নিদিয়ে। ইয়াৰ কিবা ব্যৱস্থা কৰিবনে ?

চৈয়দ আহম্মদ আলী (মন্ত্ৰী): এইটোৰ অনুসন্ধান কৰিব লাগিব।

শ্ৰীপ্ৰণীতা তালুকদাৰ: মন্ত্ৰী মহোদয়ে (খ) প্ৰশ্নৰ উত্তৰত ৯০টা পদ খালি আছে বুলি কৈছে আৰু ১৯৭৩ চনতে অসম পাব্লিক চাৰ্ভিচ কমিচনলৈ লিখিছিল। গতিকে এই ৯০টা উন্নয়ন খণ্ডত বি ডি ও নোহোৱাকৈ কেনেকৈ কাম চলি আছে ?

চৈয়দ আহম্মদ আলী (মন্ত্ৰী): যিবিলাক একচ্‌টেনচন অফিচাৰ বি ডি ও চাৰ্জত আছে তেওঁলোকেই এতিয়া কাম চলাই আছে।

Shri Badan Chandra Talukdar: Sir, who is the Controlling Officer of B. D. O.s the Mahkuma Parishad or the S. D. O. ?

Shri Sayed Ahmed Ali (Minister, Panchayats): Chief Executive Officer of the Mahkuma Parishad.

বি : আবাস গৃহ

শ্ৰীতুলসী দাসে সুধিছে :

*২৪৪। মাননীয় শিক্ষা বিভাগৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ কিমানখন কলেজ আৰু হাইস্কুলত ছাত্ৰ ছাত্ৰীৰ বাবে আবাস গৃহৰ জৰিয়তে কিমান ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে ?

(খ) আবাস গৃহত থকা ছাত্ৰ-ছাত্ৰী সকলক প্ৰধান মন্ত্ৰীয়ে ঘোষিত কুৰি-দফীয়া আঁচনিৰ অন্তৰ্ভুক্ত অতি প্ৰয়োজনীয় বয়-বস্তুসমূহ ৰেহাই মূল্যত যোগান ধৰিবলৈ চৰকাৰী ব্যৱস্থা হাতত লোৱা হৈছে নেকি ?

(গ) যদি তেনে ব্যৱস্থা গ্ৰহণ কৰিছে, তেন্তে কেনে ধৰণৰ অতি প্ৰয়োজনীয় দ্ৰব্যসমূহ যোগান ধৰা হৈছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২২৪। (ক)—কলেজৰ ১১২ খন, হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক হাই-স্কুলৰ ২৩৩ খন আবাস গৃহ আছে। এই আবাস গৃহৰ জৰিয়তে বৰ্তমানলৈ সৰ্ব্বমুঠ ১৩০৫৭ জন ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে।

(খ)—হয়, হৈছে।

(গ)—চৰকাৰৰ অনুমোদিত বিতৰণ নীতি অনুযায়ী চৰকাৰী সুলভ মূল্যৰ দোকান আৰু স্কুল কো-অপাৰেটিভ আদিৰ জৰিয়তে নিত্য প্ৰয়োজনীয় বস্তু যেনে—চেনি, চাউল, আটা. চুজি, কেৰাচিন, তেল ইত্যাদি বিতৰণ কৰা হৈছে। তাৰোপৰি সুলভ মূল্যত বহী কাগজ কিতাপ আদি দিয়াটো ব্যৱস্থা কৰা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা ঃ প্ৰধান মন্ত্ৰীৰ কুৰি দফীয়া দাবীৰ অন্তৰ্ভুক্ত কৰি নিত্য ব্যৱহাৰ্য্য বুলিলে কি কি বুজায় ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) ঃ যিবিলাক নিত্য ব্যৱহাৰ্য্য বস্তু সৰ্বসাধা ৰণৰাইজে ব্যৱহাৰ কৰে সেইবিলাকেই ইয়াৰ ভিতৰত পৰে। যেনে—আটা, চাউল, চুজি ইত্যাদি নিত্য ব্যৱহাৰ্য্য বস্তু।

শ্ৰীগিয়াছুদ্দিন আহমেদ ঃ অধ্যক্ষ মহোদয়, প্ৰটিন জাতীয় খাদ্য বস্তু নিত্য-ব্যৱহাৰ্য্য বস্তুৰ ভিতৰত পৰে নে নপৰে ? যদি পৰে কলেজ স্কুলৰ ছাত্ৰ-ছাত্ৰী সকলক কি দিয়া হৈছে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) ঃ শিক্ষা বিভাগৰ ফালৰ পৰা মাছ, কণী গাখীৰ আদি বস্তু দিবলৈ ভেটেনাৰী আৰু ফিচাৰী বিভাগক অনুৰোধ কৰা হৈছে। চেষ্টা কৰি আছে কিন্তু দিব পৰা অৱস্থা হোৱা নাই।

শ্ৰীমাল চন্দ্ৰ পেগু ঃ গাওঁত যিবিলাক স্কুল কলেজ আছে, তাত সকলো বিলাকতে ছাত্ৰ-ছাত্ৰী থাকিবলৈ আবাস গৃহ নাই। গতিকে লৰা ছোৱালী বিলাকৰ অসুবিধা হৈছে। তেওঁলোকক সুবিধা দিয়াৰ কাৰণে চৰকাৰে ব্যৱস্থা লব নেকি ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) ঃ এইটো আৰ্থিক অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰিছে।

Shri Abdur Rahman Choudhury : Sir, may I know from the Chief Minister whether the Government would think to construct one cosmopolitan hostel in each of the sub-division ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) ঃ এইটো এটা বেলেগ প্ৰশ্ন।

Re : Kathkatia Barua Ali and Kharigarh

Shri PUSPADHAR CHALIHA asked :

*245. Will the Minister, P.W.D. be pleased to state—

(a) Whether it is a fact that Kathkatia Barua Ali and Kharigarh which was taken over by P.W.D. in Amguri Constituency in the Fourth Five Year Plan is incomplete uptil now ?

(b) If so, whether Government will take immediate steps to complete these roads within the financial year 1976-77 ?

Shri MAHAMMAD IDRIS (Minister, P.W.D.) replied :

245. (a) —Yes

(b). Yes, the sanctioned length this will be completed.

Shri Pushpadhar Chaliha : Sir, there is a mistake in the question printed where it was written Kharigarh but actually it should be Kharagarh ?

Will it be completed within the next financial year ?

Shri Mahammad Idris (Minister) : Yes Sir.

Re : Schools under Non-Formal Education Scheme

Shri CHANDRA BAHADUR CHETRI asked :

*246. Will the Minister-in-charge of Education be pleased to state —

(a) Whether it is a fact that some Schools have been Aided

by the Government under the Non Formal Education Scheme?

(b) If so, the number of such Schools Aided by Government constituency wise?

(c) What are the basis of aiding such Schools.

Shri Sarat Chandra Sinha (Chief Minister) replied:

246. (a)—No.

(b)—Does not arise.

(c)—Does not arise.

Shri Chandra Bahadur Chetri : Sir, whether it is a fact that teacher for non formal education has been given, if so, what is the number?

Shrimati Syeda Anawara Taimur (Minister) : Yes Sir, so far 750 non-formal education centres have been established.

Shri Chandra Bahadur Chetri : Mr. Speaker Sir, will the Minister be pleased to state the number and the name of the constituency which did not get such aid and reasons thereof?

Shrimati Syeda Anawara Taimur (Minister) : It has been placed on the table, but it is not constituency wise, it is Gaon Panchayat wise. The list is there but the name of the teachers are not there.

Shri Chandra Bahadur Chetri : Sir, I have asked the number and names?

Shrimati Syeda Anawara Taimur (Minister) : I have already told Sir, it is 750.

Shri Chandra Bahadur Chetri : Mr. Speaker Sir, whether the Minister will consider to fill up the backlog in the next year ?

Shrimati Syeda Anawara Taimur (Minister) Sir, : In 1974-75 we have 500 centres established and for the year 1975-76 we have started another 250 which hare already started functioning.

শ্ৰীসোনেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, অনাঅনুস্থানিক শিক্ষা অনুস্থান বিলাক ৰাইজৰ ফালৰ পৰা চলায় নে চৰকাৰৰ ফালৰ পৰা চলায় ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) ঃ চৰকাৰৰ ফালৰ পৰা ৯ বছৰৰ পৰা ১১ বছৰৰ ভিতৰত লৰা-ছোৱালী গোটাই ৰাইজৰ লগত আলোচনা কৰি চেণ্টাৰ কৰা হয়। চৰকাৰৰ ফালৰ পৰা গোটাই দিয়াৰ পাচত ৰাইজে বিবেচনা কৰি দিয়ে।

শ্ৰীআটাউৰ ৰহমান ঃ এই অনা-অনুষ্ঠানিক স্কুল বিলাকৰ শিক্ষক বিলাকক প্ৰতি মাহত পাৰিতোষিক কিমান টকাকৈ দিয়ে ? লগতে এইটো সচানে যে এই শিক্ষক সকলে ৬ মাহলৈ পাৰিতোষিক পোৱা নাই ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) ঃ এইটো আমাৰ সামাজিক শিক্ষা বিভাগৰ তত্বাবধানত চেণ্টাৰ খোলা হৈছে আৰু তাৰ জৰিয়তে তেওঁলোকক দৰমহা দিয়া হয়।

শ্ৰীআবুল হুচেইন মীৰ ঃ মন্ত্ৰী মহোদয়ে কৈছে গাওঁ সভা যি চেণ্টাৰ খোলা হৈছে তাৰ এখন লিষ্ট দাখিল কৰা হৈছে। যিবিলাক গাওঁসভা লিষ্টিভুক্ত হোৱা নাই সেইবিলাক লিষ্টিভুক্ত কৰিবনে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) ঃ এই চেণ্টাৰ বিলাক একে ঠাইতে পাৰমেনেণ্ট নহয়। দুই বছৰৰ পৰা চাৰি বছৰলৈকে এই চেণ্টাৰ ৰাখি লৰা-ছোৱালী বিলাকক উন্নতিৰ পথলৈ অনা হয় আৰু যেতিয়া অনুন্নত ঠাই এডোখৰক উন্নতিৰ পথলৈ আহে তেতিয়া এই চেণ্টাৰটো আন এখন গাওঁলৈ নিয়া হয়।

Shri Giasuddin Ahmed : Sir, more than 70% of our population are illeterate. Will the Govt. bring the population under some sort of non-formal education schemes ?

Smti. Syeda Anwara Taimur, (Minister) : Surely, we will look into this.

Shri Giasuddin Ahmed : Hon'ble Minister has said that they will think over it, when they will think over it and when will they implement it ?

Shri Sarat Chandra Sinha (Chief Minister) : This is a matter of far-reaching importance involving considerable burden and it is difficult to make any definite committment in this regard.

শ্ৰীহাচিমুদ্দিন-আহমেদ ঃ মন্ত্ৰী মহোদয়ে জনাইছে যে টেবুলত এখন লিষ্ট দিয়া হৈছে। মই জানিব বিচাৰিছো যে মঙ্গলদৈ মহকুমাৰ ৬টা সমষ্টিত এতিয়ালৈকে এই নন্‌ফৰমেল স্কুল কিমানটা আছে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) ঃ লিষ্ট দিয়া হৈছে।

শ্ৰীজালালুদ্দিন আহমেদ ঃ মোৰ সমষ্টিত এটাও নন্ ফৰমেল স্কুল নাই। দুখীয়া ৰাইজৰ আমি প্ৰতিনিধি হৈ আছিছো। গতিকে তেওঁলোক ন্যায্য প্ৰাপ্য বিলাক নাপালে আমি ৰাইজক কি বুলি কম। ইয়াৰ কিবা ব্যৱস্থা কৰিব নে ?

শ্ৰীহাচিমুদ্দিন আহমেদ ঃ এই শিক্ষক সকলৰ কুৱালিফিকেচন কিমান ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) ঃ এই বিদ্যালয়ৰ শিক্ষক সকলৰ দৰমহা ৫০ টকা। আৰু সেই বাবে তাত মেট্ৰিকুলেট শিক্ষক লোৱা হৈছে যিবিলাক ঠাইত মেট্ৰিকুলেট শিক্ষক নাই তাত ক্লাচ টেনত পঢ়া শিক্ষক লোৱা হৈছে।

শ্ৰীনগেন বৰুৱা ঃ এই স্কুল বিলাকত কিমান লৰা-ছোৱালী আছে আৰু এই স্কুল বিলাকৰ পাঠ্যক্ৰম শিক্ষা বিভাগৰ দ্বাৰা প্ৰস্তুত কৰা হৈছে নেকি ?

আৰু এই স্কুলৰ শিক্ষা যে দিয়া হৈছে ইয়াৰ পৰীক্ষা-নিৰীক্ষা কৰিবৰ কাৰণে কি ব্যৱস্থা কৰা হৈছে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) ঃ মুঠতে ৭৫০ টা চেণ্টাৰ আছে। প্ৰতি চেণ্টাৰত ৩০ জনকৈ ২২,৫০০ জন লৰা-ছোৱালী আছে। সামাজিক শিক্ষা বিভাগৰ জৰিয়তে পাঠ্যক্ৰম প্ৰস্তুত কৰিছে আৰু সামাজিক শিক্ষা অনুযায়ী প্ৰশ্ন প্ৰস্তুত কৰি পৰীক্ষা লোৱাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীচন্দ্ৰ বাহাদুৰ ছেত্ৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া মন্ত্ৰী মহোদয়াই দিয়া প্ৰশ্নৰ উত্তৰৰ সন্দৰ্ভত মই এই কথা মাননীয়া মন্ত্ৰী মহোদয়াৰ পৰা জানিব পাৰোনে যে, অসমৰ কিমান সমষ্টিত এনেকুৱা শিক্ষা দিয়াৰ ব্যৱস্থা আছে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) ঃ সমষ্টি হিচাবে ভাগকৰা হোৱা নাই। প্ৰত্যেক গাওঁ সভাকে 'কভাৰ' কৰা হৈছে।

শ্ৰীআটাউৰ ৰহমান ঃ মাননীয় অধ্যক্ষ মহোদয়, এই শিক্ষা কেন্দ্ৰ বিলাক একো একোটা ভেন্সাৰ স্কুলত পৰিণত হোৱা কথাটো মন্ত্ৰী মহোদয়াই জানেনে আৰু যদি জানে তেতিয়াহলে, সেই অৱস্থাৰ পৰা এই অনুষ্ঠান বিলাকক মুক্ত কৰিবৰ কাৰণে টকা মঞ্জুৰী দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, তেনেকুৱা খবৰ মোৰ হাতত নাই।

শ্ৰীজগদীশ চন্দ্ৰ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, এই শিক্ষক সকলক চৰকাৰী কৰ্ম্মচাৰী হিচাবে গণ্য কৰি নিম্নতম হিচাবে হলেও দৰ্মহা দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) ঃ নিৰক্ষৰতা দূৰীকৰণ আঁচনিৰ কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰতহে তেওঁ বিলাকক 'টেম্পৰেৰী' হিচাবে নিয়োগ কৰা হৈছিল।

Shri Abdul Muqtadir Choudhury : Sir, it is a fact that in many places non-formal schools are in paper only but not in existence ?

Smti. Syeda Anawara Taimur (Minister) : I do not think so.

শ্ৰীকন্দৰ্প দাস ঃ ৰাইজৰ লগত সহযোগ কৰাৰ কাৰণে 'এজেন্ট' হিচাবে কোনে কাম কৰিছে সেইটো মাননীয় মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনে?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) ঃ পঞ্চায়তৰ-লগত গাওঁ সভা বিলাকে সহযোগ কৰে।

Shri Mal Chandra Pegu : Sir, the Minister has stated in reply that the figures were not furnished on constituency wise but on Gaon Panchayat wise. But the question No. 246 is very specific. If the question is so, why the number of such schools on constituency wise is not furnished ? So when the question is specific why inspite of the specific question being put, the figures were not furnished constituency wise.

Smti. Syeda Anawara Taimur (Minister) : These are non formal centres not schools.

Shri Mal Chandra Pegu : Whatever may be the reason ?(Interuppted).

Shri Giasuddin Ahmed : Sir, what measures have been taken for inspection of the non formal school and whether they are existing or not ? Our information is that a large number of so called non-formal schools are only in paper. They are not actually existing.

Smti Syeda Anawara Taimur (Minister) : The Non-formal centres are actually existing. The Hon'ble member may kindly verify.

Shri Giasuddin Ahmed : If the schools are existing, that is alright. But our information is that no school is existing, no student is attending and no inspection is being made.

Smti. Syeda Anawara Taimur (Minister) : Sir, it is not a fact. The State Social Education Officer is also inspecting and there are other Officers who are inspecting these centres.

Re : Bridge Over Hokwa River

Shrimati PRANITA TALUKDAR asked :

★247. Will the Minister, P.W.D. be pleased to state—

(a) Whether a bridge over Hokwa River on the Sorbhog Kahitoma P.W.D. Road was sanctioned during the Fourth Five Year Plan ?

(b) If so, why this has been delayed for construction of this bridge ?

(c) When this bridge will be completed ?

Shri MD. IDRIS (Minister, P. W. D.) replied :

247. (a) No.

(b) & (c)—In view of reply to (a), does not arise.

শ্ৰীমতী প্ৰণিতা তালুকদাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই গোটেই প্ৰশ্নৰ উত্তৰত নাই বুলিয়েই কৈছে কিন্তু আমাৰ যি প্লেনিং চেলৰ কাৰণে কমিটি আছিল মহকুমা পৰ্য্যায়ত সেই প্লেনিং চেলৰ সম্পূৰ্ণ হিচাব জনজাতিয় অঞ্চলৰ কাৰণে যিখিনি আমাৰ সংৰক্ষণৰ পুঁজি, এই চাৰে চ লাখ টকাৰ ভিতৰত আঢ়ৈ লাখ টকা খৰচ কৰিবলৈ দিয়া হৈছিল, এই কথা মন্ত্ৰী মহোদয়ৰ অৱগত হৈছে নে নাই ?

শ্ৰীমহম্মদ ইদ্ৰীচ (মন্ত্ৰী) ঃ এই যি ২ লাখ দিয়া হৈছে বুলি কৈছে সেইটো মোৰ হাতত নাই। এই ব্ৰিজখন কৰিবলৈ অতি কমেও ৫০ লাখ টকা লাগিব।

শ্ৰীআটাউৰ ৰহমান ঃ এই প্লেনিং চেল বিলাকক আঁচনি কৰিবলৈ দিয়া হয়, তেতিয়া ট্ৰাইবেল গ্ৰাণ্টতো দলংৰ কাৰণে এভেইলেবেল কৰা হব বুলি কোৱা হৈছিল গতিকে এই জনজাতিয় অঞ্চলত এই টকা পইচাবোৰ খটুৱা হৈছে নে নাই ?

শ্ৰীমহম্মদ ইদ্ৰীচ (মন্ত্ৰী) ঃ একেবাৰে নতুন প্ৰশ্ন, এইটো চতুৰ্থ পৰিকল্পনাৰহে প্ৰশ্ন আছিল।

Re : Vigilance Cell

Shri Abdul Muqtadir Choudhury asked :

*248. Will the Chief Minister be pleased to state :

(a) The total number of cases pending for disposal before the Chief Minister's Vigilance Cell ?

(b) Number of cases tried by the said cell since the constitution of the cell till date ?

(c) Whether any Judge has been appointed to try the cases in the Vigilance Cell ?

(d) If so, number of cases tried by the Judge from his appointment till date ?

Shri Sarat Chandra Sinha (Chief Minister) replied :

248. (a)—5 (five) cases are under investigation.

(b) The cell is not empowered to try any case. However, the cell has submitted 40 Charge-sheets in 16 cognisable cases to the Courts of competent jurisdiction for trial. All the cases are sub-judice.

(c) & (d) No Judge has been specifically appointed to try cases filed by the Vigilance Cell. Two cases involving offences under Section 5 (2) of the prevention of Corruption Act, 1947 have been taken up by the Special Court, Gauhati. Other cases are taken up by Judicial Magistrate of competent jurisdiction.

Shri Abdul Muqtadir Choudhury : Sir, is it a fact that the officers could not sit properly for want of accommodation.

Shri Sarat Chandra Sinha (Chief Minister) : Sir, the accommodation problem is acute throughout the State and particularly at Dispur. Hon'ble members are all aware of it.

Shri Giasuddin Ahmed : Sir, whether the Govt. will consider the question of appointing a high power quasi judicial tribunal at the top administrative level for trying such cases ?

Shri Sarat Chandra Sinha (Chief Minister) : Sir, the entire situation will be reviewed but no decision has yet been taken.

Shri Badan Chandra Talukdar : Sir, the Chief Minister has stated that two cases have been taken up by the Special Court and other cases are taken up by Judicial Magistrate of competent jurisdiction. What kind of steps have been taken to send the cases to the special judges and to be tried by other Judicial Magistrate ?

Shri Sarat Chandra Sinha (Chief Minister) : Sir, offences under section 5 (2) of the prevention of Corruption Act, 1947 are tried by the Special Court, Gauhati. Such cases are sent to the Special Court and the other cases are sent to the Judicial Magistrates.

Shri Abdul Muqtadir Choudhury : Sir, in how many cases punishment have been imposed by the Courts.

Shri Sarat Chandra Sinha (Chief Minister) : Sir, that figure is not with me.

শ্ৰীআটাউৰ ৰহমান ঃ এই প্ৰশ্নটোৰ লগত জৰীত হব নে নহয় কব নোৱাৰো। কথাটো কব বিচাৰিছো খবৰ কাগজত দেখা মতে ভিজিলেন্স চেলে বিচাৰ কৰা যিবিলাক বিষয়ে গোচৰ কৰা হৈছে আৰু যি সকল লোকৰ গোচৰ কৰা হৈছে সেই সকলে তেওঁলোকৰ কেচৰ বিষয়ে আবেদন নিবেদন কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে এটা যন্ত্ৰ স্থাপন কৰিবলৈ ৰাজ্যিক চৰকাৰক নিৰ্দ্দেশ দিছে এইটো সচানে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) এইটো কথা আমি বাতৰিকাকতত পাইছো। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দ্দেশ ব্যাতিৰেকেও এই চৰকাৰে গোটেই কথাবিলাক বিবেচনা কৰি আছে।

শ্ৰীবদন তালুকদাৰ ঃ এই ভিজিলেন্স চেলৰ যিবিলাক গোচৰ কৰা হৈছে তাৰ ভিতৰত কোনো বিষয়াক চৰকাৰলৈ নপঠোৱাকৈয়ে বৰ্খাস্ত কৰা হৈছে নেকি?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) ঃ ভিজিলেন্স চেলে কোনো কেচ যদি তদন্ত কৰি কিবা কথা পাইছে তেতিয়াহলে তাৰ ব্যৱস্থা কৰাটাও আছে। এটা হৈছে কেচটো পুলিচ থানাত ৰেজিষ্টাৰ কৰা হয় আৰু ৰেজিষ্টাৰ কৰাৰ পিছত কোনোটো কেচ স্পেচিয়েল কোৰ্টলৈ যায় আৰু কোনোটো জুদিচিয়েল কোৰ্টলৈ যায় লগে লগে কেচ বিলাকৰ ডিপাৰ্টমেণ্টেল প্ৰচিদিং হয় আৰু কোনো কোনো কেচৰ ৩১১ মতে ব্যৱস্থা কৰা হয়।

বি ঃ উদ্যান বিদ্যা উন্নয়নৰ ব্যৱস্থা

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে ঃ

*২৪৯। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত উদ্যান বিদ্যা উন্নয়নৰ বাবে কি কি ব্যৱস্থা লোৱা হৈছে?

(খ) এই উদ্যান বিদ্যাৰ যোগেদি কি কি ফল-মূলৰ উৎপাদন বৃদ্ধি কৰা হৈছে?

শ্ৰীমহম্মদ ওমৰুদ্দিন (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৪৯। (ক) অসমত উদ্যান বিদ্যা উন্নয়নৰ বাবে কেইবাখনো আঁচনি লোৱা হৈছে। এই আঁচনিসমূহ হল—

১। মাটি কঠাল, কল আৰু অন্যান্য ফলৰ উন্নয়ন আঁচনি।

২। ফল-মূলৰ পুলি, কলম আদি উৎপাদন আঁচনি।

৩। অৱহেলিত উদ্যান সঞ্জিবীতকৰণ আৰু নতুন উদ্যান প্ৰতিষ্ঠাকৰণ আঁচনি।

৪। ফল-মূলৰ সংৰক্ষণৰ প্ৰশিক্ষণ আৰু প্ৰদৰ্শন আঁচনি।

৫। শাক-পাচলিৰ উন্নয়নৰ আৰু শাক-পাচলিৰ বীজ পাম স্থাপন আঁচনি।

(খ) উদ্যান বিদ্যাৰ যোগেদি মূলতঃ মাটি কঠাল, কল, কমলা, নেমু, নাৰিকল, মধুৰিআম, অমিতা আৰু লিচুৰ উৎপাদন বৃদ্ধি কৰিবলৈ লোৱা হৈছে।

শ্ৰীলক্ষীকান্ত শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমত উদ্যান বিদ্যাৰ উন্নয়নৰ কাৰণে যি কেইখন আঁচনি লোৱাৰ কথা মাননীয় মন্ত্ৰী মহোদয়ে কৈছে সেই আঁচনি কেইখনত ১৯৭৪-৭৫, আৰু ১৯৭৫ ৭৬ চনত কিমান কাৰ্য্যকৰী কৰা হল আৰু কিমান টকা খৰছ হৈছে সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) ঃ আঁচনি বিলাক বিভিন্ন ঠাইত আছে। কিমান খৰছ হয় তাৰ আনুমানিক হিচাব এটা মই দিব পাৰো। এক নম্বৰতে, 'প্ৰজান্স অৰ্চাড' আঁচনি এখন আজি দুই বছৰৰ পৰা চলি আছে আৰু তাত দুইলাখ টকা খৰছ হৈছে। তাৰ পিছত 'ইন্‌টিগ্ৰেটেড হৰ্টিকালচাৰ ডেভেলপমেণ্ট'ত যত মাটি কঠাল কল আদি আৰু অন্যান্য ফলৰ বীজ ৰূপণ কৰা হয় তাত ৪৫ হেজাৰ টকা খৰছ হৈছে। তাৰ পিছত আমাৰ বহুতো কমলা বাগান আদি নষ্ট হৈ গৈছে গতিকে সেইবিলাক ভাল কৰিবৰ কাৰণে 'ৰিজুভিনেশ্বন অব এক্‌জিষ্টিং অৰ্চাডছ এণ্ড এষ্টাব্লিছমেণ্ট অব নিউ অৰ্চাড বুলি আঁচনিত ৩০ হেজাৰ টকা খৰছ হৈছে। 'ডেভেলপমেণ্ট অব পাইন আপল এণ্ড বানানা' বোলা এখন আঁচনিত দুইলাখ টকা খৰছ হৈছে। 'এপ্লাইড নাৰ্টিশ্বন প্ৰগ্ৰামত' একলাখ টকা খৰছ কৰে। 'ডেভেলপমেণ্ট অব ভেজিটেবল' নামৰ আঁচনিত যাৰ দ্বাৰা শাক পাচলিৰ বীজ বিতৰণ কৰা হয় তাত দুই লাখ টকা খৰছ কৰা হয়। তাত বিভিন্ন ধৰণৰ বীজ বা ফলৰ পুলি আদিৰ ৰক্ষণাবেক্ষণৰ দিহা কৰা হয়।

শ্ৰীলক্ষীকান্ত শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনেই হৈছে অসমান যাৰ কাৰণেই অসম নাম পাইছে। যি বিলাক ঠাইত সাধাৰণতে খেতি বাতি নহয় সেই বিলাক ঠাইত ফলমূল আদিৰ খেতি কৰিবৰ কাৰণে ব্যাপক ভাবে কিবা আঁচনি চৰকাৰে কৰিছেনেকি আৰু যদি কৰিছে তেনেহলে, তাত কিমান টকা ধাৰ্য্য কৰা হৈছে সেইটো মন্ত্ৰী মহোদয়ে জনাবনে? বিশেষকৈ ৫ম পৰিকল্পনাত এই বিষয়ৰ আঁচনি চৰকাৰে কৰিছে নেকি?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) ঃ এইবিষয়ে ব্যৱস্থা কৰি থকা হৈছে। যি,

সকলে নিজৰ ঘৰৰ কম্পাউণ্ডতে এনেকুৱা ধৰণৰ ফলমূল কৰাৰ কাৰণে আগ্ৰহী সেই সকলক উন্নত ধৰণৰ পুলি দিয়াৰ ব্যৱস্থা কৰিছো। তেনেকুৱা চাৰ্ভে চলি আছে। এই বিষয়ে ক'ত কিমান চৰকাৰী মাটি আছে, ৰিজাৰ্ভে আছে আৰু ক'ত কি খেতি কৰিলে হব নহব সেইবিলাক কথা চাৰ্ভে কৰিবলৈ ব্যৱস্থা কৰা হৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদঃ মাননীয় মন্ত্ৰী মহোদয়ে ফলমূলৰ উদ্যানৰ কথা কৈছে। অসমত ফুলৰ উদ্যানৰেই অভাৱ পৰিলক্ষিত হয়। তেনেকুৱা অৱস্থাত ফুলৰ উদ্যান পতাৰ কথা চৰকাৰে ব্যৱস্থা কৰিছেনে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী)ঃ চৰকাৰৰ হাতত তেনেকুৱা কোনো আঁচনি নাই।

শ্ৰীসোনেশ্বৰ বৰাঃ মাননীয় অধ্যক্ষ মহোদয়, মাটিকঠাল বা তেনেকুৱা জাতীয় ফল বিলাকৰ পৰা যি বিলাকৰ পৰা 'জেলি জুইছ' আদি তৈয়াৰ কৰিব পাৰি সেইবিলাক কৰাৰ কাৰণে কিবা উদ্যোগ আদি কৰাৰ ব্যৱস্থা চৰকাৰে কৰিছেনে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী)ঃ সেইটো উদ্যোগ বিভাগেহে কৰে।

শ্ৰীপ্ৰেমধৰ বৰাঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ যিমান বিলাক স্কুল কলেজ আদি আছে সেইবিলাকত যিবিলাক মাটি আছে সেই ক্ষেত্ৰত চৰকাৰে যিটো কৰ্ম্ম অভিজ্ঞতাৰ ব্যৱস্থা বাধ্যতামূলক কৰিছে সেইটো কৰিবৰ কাৰণে স্কুল কলেজত ফলমূলৰ বাগান আদিৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী)ঃ আমাৰ যিবিলাক এম, এন ব্লক আছে তাৰ পৰা পুলি বিভিন্ন স্তৰত দিয়া হয়।

শ্ৰীজালালুদ্দিন আহমেদঃ মাননীয় অধ্যক্ষ মহোদয় এই যে আঁচনি বিলাক লোৱাৰ কথা কৈছে তাৰ বাস্তৱতা আছেনে নাই ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী)ঃ আছে।

বি ঃ শ্বিলঙত থকা অসম চৰকাৰৰ কাৰ্য্যালয়

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে ঃ

*২৫০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ সকলো কাৰ্য্যালয় পূৰ্ব্বৰ ৰাজধানী শ্বিলঙৰ পৰা অস্থায়ী ৰাজধানী দিশপুৰলৈ অনা হলনে ?

(খ) যদি হৈছে, সকলো কাৰ্য্যালয় ক'ত ক'ত কাৰ্য্য নিৰ্ব্বাহ কৰোৱা হৈছে জনাবনে ?

(গ) যদি হোৱা নাই, এতিয়াও কি কি কাৰ্য্যালয় শ্বিলঙত আছে ?

(ঘ) সেইবোৰ এতিয়াও কিয় তাত ৰাখি থোৱা হৈছে জনাবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৫০। (ক) হোৱা নাই।

(খ) যিবোৰ কাৰ্য্যালয় গুৱাহাটীত আছে, তাৰ তালিকা সদনৰ মেজত ৰখা হল।

(গ) (১) পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ এটা শাখা। এটা শাখা দিশপুৰত কাম কৰি আছে।

(২) ৰাজ্যিক পৰিকল্পনা পৰিষদ।

(৩) মূল্যাংকণ সঞ্চালকৰ কাৰ্য্যালয়।

(৪) উপ আৰক্ষী মহাপৰিদৰ্শক (বিশেষ শাখা)ৰ নথিলেখ্য শাখা।

(৫) অসম লোকসেৱা আয়োগৰ এটা শাখা। এটা শাখা গুৱাহাটীত কাম কৰিছে।

(ঙ) অসম সচিবালয়ৰ (অসামৰিক) আৰু (গড়কাপ্তানী বিভাগ)ৰ নথিলেখা শাখা।

(ঘ) আৱশ্যকীয় ব্যৱস্থাপনৰ সুবিধা কৰিব পৰা হোৱা নাই হেতুকে এই কাৰ্য্যালয় সমূহ স্থানান্তৰিত কৰিব পৰা নাই। ইয়াৰ বাবে যথাযথ ব্যৱস্থা লোৱা হৈছে।

শ্ৰীলক্ষীকান্ত শইকীয়া: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে তেখেতৰ উত্তৰত যি কেইটা কাৰ্য্যালয় এতিয়াও শিলঙত থকা বুলি কলে তাৰ ভিতৰত অসম লোকসেৱা আয়োগৰ এটা অংশহে ইয়ালৈ নমাই আনিছে আৰু তাৰ এটা অংশ এতিয়াও তাতে আছে। যিমান পাৰি সোনকালে সেই বাকী থকা অংশটোও ইয়ালৈ নমাই আনি প্ৰাৰ্থী সকলৰ অসুবিধা বিলাক আতৰ কৰাব ব্যৱস্থা চৰকাৰে কৰিবনে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী): সেইটোৰ ব্যৱস্থা লোৱা হৈছে। এতিয়াও শ্বিলঙতে থকা পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ এটা শাখা, ৰাজ্যিক পৰিকল্পনা পৰিষদ, মূল্যাংকণ সঞ্চালকৰ কাৰ্য্যালয় আদি কাৰ্য্যালয় কেইটা অহা এপ্ৰিল মাহৰ ভিতৰতে আনিব পৰা হব। লোকসেৱা আয়োগৰ বাকী শাখাটোও যিমান সোনকালে পাৰি আনিবলৈ যত্ন কৰা হব। সেই বিলাক অনাত অসুবিধা নাই খালি ঘৰৰ অসুবিধা।

শ্ৰীলক্ষীকান্ত শইকীয়া: ইমান কেইটা কাৰ্য্যালয় আহিছে আৰু ইমান বিলাক মানুহক ব্যৱস্থা দিছে আৰু সেইকেইটাও অনাৰ কাৰণে ঠাই দিব নোৱাৰাটোৰ কি অসুবিধা আছে? তাত থকা বিভাগৰ কৰ্মকৰ্ত্তা সকল অহা যোৱা কৰোতে যিটো খৰছ আৰু ঘৰ ভাৰাৰ কাৰণে যিমান টকা ভৰি থকা হৈছে সেই টকাৰে বা সেই টকা বিলাক ৰাহি কৰিবৰ কাৰণেওটো এই বিভাগ কেইটা ইয়ালৈ আনিব পাৰে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী): মাননীয় সদস্য জনৰ উদ্বিগ্নতাটো মই অনুভৱ কৰিছো। এটা এটাকৈ ক্ৰম অনুসাৰে অফিচ বিলাক আনি থকা হৈছে। যি কেইটা বাকী আছে সেই কেইটা এই ব্যৱস্থাৰ একেবাৰেই পিছত

কৰিছে। সেই কাৰণেইহে এই অফিচ বিলাক অহাত পেহতীয়া হৈছে। পলম হলেও অতি সোনকালেই অনাৰ কাৰণে দিহা কৰা হৈছে।

শ্ৰীলক্ষীকান্ত শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, কাৰ্য্যালয় বিলাক যিহেতু আহিছে আৰু তথাপিও ৰাজ্যপালৰ ভবনটো এতিয়াও তাতে আছে গতিকে চৰকাৰী কামত যি বিলাক মানুহ তালৈ গৈ থাকিব লাগে সেই সকল থাকিবৰ কাৰণে 'অসম হাউছ'ৰ ব্যৱস্থা কৰাৰ কথা চৰকাৰে চিন্তা কৰিছে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ হয় ব্যৱস্থা কৰা হৈছে।

শ্ৰীহাছবুদ্দিন আহমেদ ঃ এ, জি অফিচটো দিছপুৰলৈ (অসম শাখাটো) অনাৰ ব্যৱস্থা কৰিছে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ কেন্দ্ৰীয় চৰকাৰেহে সেইটো আনিব। কেন্দ্ৰীয় চৰকাৰে আনিবৰ কাৰণে ঘৰ দুৱাৰ সাজিব লাগিব। অস্থায়ী ৰাজধানীত অস্থায়ীভাৱে নেসাজি স্থায়ী ৰাজধানীৰ স্থান থিৰাং হলে স্থায়ী ৰাজধানীত স্থায়ী ভাৱে সাজিব আৰু তালৈ এ, জি 'অফিচটো' আনিব।

শ্ৰীলক্ষীকান্ত শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী কোৱামতে কেন্দ্ৰীয় চৰকাৰৰ ইচ্ছা অনুসৰিয়েই এই 'এ, জি' অফিচ আনিব। কিন্তু আমাৰ চৰকাৰী কৰ্ম্মচাৰী সকলে বিশেষকৈ যিসকলৰ প্ৰমোচন আদি হৈছে সেই সকলৰ বা 'গেজেটেড অফিচাৰ' সকলৰ 'পে-শ্লিপ' আদি আনিবৰ কাৰণে শিলঙলৈ অহাযোৱা কৰিবৰ কাৰণে যথেষ্ট খৰছ পাতি কৰিবলগীয়া হয়। গতিকে সেই দিশটোলৈ লক্ষ্য কৰি এই শাখাটো সোনকালে নমাই অনাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ সেইটো বিবেচনা কৰি চোৱা হব।

শ্ৰীসোনেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, মেঘালয় ৰাজ্যত এই অফিচ বিলাক থকাৰ কাৰণে মেঘালয় চৰকাৰক ঘৰ ভাৰা দিব লাগে নেকি আৰু যদি দিব লাগে তেতিয়াহলে, কিমান দিব লাগে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) ঃ ব্যক্তিগত মানুহৰ ঘৰ ভাৰা কৰি থাকিব লগীয়া হলে ভাৰা দিব লাগে। নহলে নেলাগে।

Re : Adhiars

Shri GIASUDDIN AHMED asked :

*242. Will the Minister, Revenue be pleased to state—

What steps have been taken to safeguard the Adhiars from eviction by the landlord ?

Dr. BHUMIDHAR BARMAN (Minister of State, Revenue) replied :

242.—An Adhiar is a tenant under Subsection (17) of Section 3 of the Assam (Temporarily Settled Areas) Tenancy Act, 1971 and hence he cannot be ejected except in execution of a decree passed by the Court. If an Adhiar who is a tenant or an under tenant within the meaning of Section 20 of the aforesaid Act is ejected illegally then remedy for restoration of possession by fileing application before the Revenue Officer has been provided for under Section 54A of the aforesaid Act as amended.

Shri Giasuddin Ahmed : Sir, this is only a remedial measure. I want to know what preventive measures have been taken for safe-guarding the Adhiars from eviction ?

Dr. Bhumidhar Barman, (Minister) : Sir, the Officers have been instructed to look into their cases.

Shri Giasuddin Ahmed : Sir, may I know how they will look into ? There should be certain procedure As most of the tenents do not have record in their hands and no document to prove their rights a large number of people are being forcibly evicted.

Therefore, I want to know what preventive measures have been taken to safe-guard the tenents.

Shri Sarat Chandra Sinha (Chief Minister) : Sir, it is true that the Adhiars are in difficulty because most of the tenents do not possess any document Therefore, general instruction has been there for the Officers that the matter should be considered from a crucial point of view. If we take only legalistic attitude no remedy can be extended to the Adhiars Therefore, all these depends upon how a particular question can be handled both by the Officers and also by the social workers. Sir, this is not only a legal question, it is also a social question. So, unless an atmosphere is created in the society for the Adhiars, Sir, only legislative measures will not be any helpful and Officers whatever good intention they might have, will not be effective. So that the officer might be effective and the legal remedy is mainly enforced effectively, a social atmosphere will have to be created in the society. Unfortunately, that climate is not there, it is wanting. Therefore, I appeal to the Hon'ble Members of the House and the social workers outside to see that a better climate is created for the poorer section of the people, particularly, the Adhiers.

Shri Giasuddin Ahmed : Sir, may I know whether the Hon'ble Chief Minister means by 'creation of favourable social atmosphere' mobilisation of people, i. e. Adhiers for protection of their rights in an united manner ?

Shri Sarat Chandra Sinha (Chief Minister) : Sir this is always there. It is for organisation which helps in creating that climate,

Shri Giasuddin Ahmed : May I know whether the Government feel it necessary that the Adhiars, whose names are not yet

recorded will be given some sort of certificate, preliminary certificate as a proof of their tenancy rights-that will go in a long way in helping them from eviction ?

Shri Sarat Chandra Sinha (Chief Minister) : Sir, Government have certain difficulty. Government cannot just issue a certificate arbitrarily. Whenever an officer is to issue a certificate, he wants certain legal provision. But it is not there. So, it is not safe on the part of the Government to issue such certificates. When a case comes before the Government for disposal either the Police Officer or the Government try to create an atmosphere in favour of the Adhiars and not in favour of the land lords. That is our instruction. Whenever any such case is to be handled, it is disposed of in favour of the Adhiers. But at the same time what we want that a climate should be created so that the land lords are not encouraged to evict the Adhiars.

Shri Giasuddin Ahmed : Sir, my information is this. In some districts, the Adhiars have been given Adhiar certificates pending finalisation of record of rights. Will the Govt. introduce similar system in Dhubri Sub-Division also to prevent the tenents from eviction ?

Shri Sarat Chandra Sinha (Chief Minister) : That can be done, Sir.

Shri Ataur Rahman : Sir, this Govt. appears to be interested in the fact that the measures in respect of the Adhiar's protection are carried out. If so, whether effective steps have been taken to enable the Land Reforms Committees to go ahead ?

Shri Sarat Chandra Sinha (Chief Minister) Sir, they have not been debarred.

শ্ৰীনগেন চন্দ্ৰ বৰুৱা ঃ মই ৰাজহমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে অসমৰ বিভিন্ন ঠাইৰ যি সকল আধিয়াৰে খতিয়ান পাই আছে সেই সকলক নাকচ কৰিবলৈ চৰকাৰৰ ফালৰ পৰা চাৰ্কোলসমূহক বা বিভাগলৈ কিবা নিৰ্দ্দেশ দিছে নেকি ?

ডাঃ ভূমিধৰ বৰ্মণ ঃ এই সংক্ৰান্তত চৰকাৰৰ ফালৰ পৰা একো কৰা নাই যদি কিবা কথা থাকে এ-এচ-অ' ওচৰত অথবা ক্ষতিগ্ৰস্ত হোৱা লোক খিনি এ-এচ-অ'ৰ ওচৰলৈ নহলে ডি এল আৰৰ ওচৰলৈ যাব পাৰে গভৰ্ণমেণ্টে এই সংক্ৰান্তত একো নকৰে।

শ্ৰীনগেন চন্দ্ৰ বৰুৱা ঃ গুৱাহাটী কৰপোৰেচন এলেকাৰ ভিতৰত যিবিলাক এগ্ৰিকালচাৰেল লেণ্ড আছে আৰু সেই বিলাক বহু দিনৰে পৰা খতিয়ান পাই থকা মানুহখিনিৰ খতিয়ান নাকচ কৰিছে নেকি আৰু তেনেকুৱা কিবা নিৰ্দ্দেশ দিছে নেকি ?

ডাঃ ভূমিধৰ বৰ্মণ ঃ নাকচ কৰাৰ কাৰণে নিৰ্দ্দেশ দিয়া নাই। যিহেতুকে অসমৰ ভিতৰতে গুৱাহাটী এখন বৃহত্তৰ নগৰ সেই কাৰণে গুৱাহাটীৰ ক্ষেত্ৰত কিছু প্লেন কৰি কৰিব লাগিব সেই কাৰণে পৰীক্ষা কৰি থকা হৈছে।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ এই কৰপোৰেচন এৰিয়াৰ ভিতৰত যিবিলাক আগৰ পৰাই থকা টেনেণ্ট সেই সকলক টেনেন্সি ৰাইট কেনচেল কৰিব নেকি ?

ডাঃ ভূমিধৰ বৰ্মণ ঃ আমি কেনচেল কৰা নাই পৰীক্ষাহে কৰি আছোঁ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ যিসকল তেনে টেনেণ্ট আছে সেই সকলৰ টেনেন্সি ৰাইট কেনচেল নকৰাৰ কথা মন্ত্ৰী মহোদয়ে কব নে ?

ডাঃ ভূমিধৰ বৰ্মণ ঃ এইটো মই আগতেই কৈছো যে গুৱাহাটী এখন বৃহত্তৰ নগৰ সেই কাৰেণে কিছু প্লেনড্ ভাৱে ইয়াৰ কাম কৰিব লাগিব আৰু সেই কাৰণে পৰীক্ষা কৰি থকা হৈছে।

Mr. Speaker : The question hour is over. There is a short notice question in the name of Shri Kehoram Hazarika. He has authorised Shri Giasuddin Ahmed. He may put the question.

SHORT NOTICE

QUESTION AND ANSWERS

Date : 8th March 1976

বি ঃ ইটাৰ দাম

শ্ৰীকেহোৰাম হাজৰিকাই সুধিছে ঃ

১। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম চৰকাৰৰ উদ্যোগ বিভাগৰ সঞ্চালকজনে ইটাৰ দাম নিৰ্দ্দিষ্ট কৰি বান্ধি দি আমাৰ সকলো জিলালৈকে নিৰ্দ্দেশ পঠোৱা কথা সঁচানে?

(খ) যদি সঁচা হয়, তেন্তে ইটাৰ শ্ৰেণী অনুসৰি দাম কিমান বান্ধি দিয়া হৈছিল?

(গ) সঞ্চালকৰ নিৰ্দ্দেশ সকলো জিলাতে প্ৰয়োগ কৰা হৈছেনে?

(ঘ) যদি হোৱা নাই, কোন কোন জিলাত প্ৰয়োগ কৰা নাই আৰু কিয় কৰা নাই?

(ঙ) এই কথাও সঁচানে যে, এই নিৰ্দ্দেশ পোৱাৰ পিচতো নগাওঁৰ উপায়োক্তই সঞ্চালকে বান্ধি দিয়া দামতকৈ বহু বেছি দামত ইটা বেছিবলৈ নিৰ্দ্দেশ দিছে?

(চ) যদি সঁচা হয়, ইয়াৰ কাৰণ কি আৰু উপায়ুক্তই শ্ৰেণী অনুসাৰে কি দাম বান্ধি দিলে?

শ্ৰীছত্ৰসিং টেৰণ (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

১। (ক) উদ্যোগ সঞ্চালকে তেনেকুৱা কোনো নিৰ্দ্দেশ পঠোৱা নাই।

(খ), (গ), (ঘ), (ঙ) আৰু (চ) উপৰোক্ত উত্তৰৰ পৰিপ্ৰেক্ষিতত এইবোৰ প্ৰশ্ন নুঠে।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ চৰকাৰে এইটো কথা জানে নেকি যে ইটাৰ দাম বহুত বেছি বাঢ়ি গৈছে আৰু যদি জানে সেই দাম নিয়ন্ত্ৰনৰ কিবা ব্যৱস্থা চৰকাৰে কৰিছে নে ?

শ্ৰীছত্ৰসিং টেৰণ (মন্ত্ৰী) ঃ আমি জানো কিছুমান দিলাৰৰ ওপৰত উপায়ুক্ত সকলে নিজৰ ফালৰ পৰা ব্যৱস্থা লৈছে। ইতিমধ্যে বিভিন্ন ঠাইৰ পৰা আপত্তি অহাত আমি এটা টেকনিকেল কমিটি কৰি দিছো যাতে সকলোবিলাক বিষয় বিচাৰ কৰি বিভিন্ন ঠাইত ইটাৰ দাম কেনেকুৱা হোৱা উচিত সেইটো যাতে নিৰ্দ্ধাৰণ কৰিব পৰা যায় তাৰ কাৰণে এই কমিটি কৰি দিয়া হৈছে আৰু সেই ৰিপোৰ্টৰ ওপৰত যাবতীয় ব্যৱস্থা কৰা হব।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ এই কমিটিয়ে কেতিয়া ৰিপোৰ্ট দিব কিবা সময় বান্ধি দিয়া হৈছে নেকি ?

শ্ৰীছত্ৰসিং টেৰণ (মন্ত্ৰী) ঃ এপ্ৰিল মাহত ৰিপোৰ্ট দিবলৈ কোৱা হৈছে যোৱা জানুৱাৰী মাহত কমিটিটো কৰি দিয়া হৈছে।

শ্ৰীআটাউৰ ৰহমান ঃ এই টেকনিকেল কমিটিয়ে পৰীক্ষা কৰোতে এটা লক্ষ্য কৰিব নে যে ইটা ভেটাৰ কাৰণে মালিকৰ নিজা মাটিও আছে আৰু কিছুমানক চৰকাৰেও মাটি দিছে ইটা প্ৰস্তুত কৰিবলৈ।

শ্ৰীছত্ৰসিং টেৰণ (মন্ত্ৰী) ঃ এই সকলোবিলাক বিবেচনা কৰি চোৱা হব।

শ্ৰীজালালুদ্দিন আহমেদ ঃ বৰপেটা মহকুমাত ৪টা ইটা ভেটাই চৰকাৰৰ তৰফৰ পৰা মাটিলৈ এই কাম কৰি আছে। এবাৰ এই মহকুমাৰ যি কেইজন ডাঙৰ ডাঙৰ মালিক আছে তেওঁলোকৰ লগত আলোচনা কৰোতে কৈছিল যে তেওঁলোকৰ হাজাৰত খৰচ হয় ৫০ টকা কিন্তু এতিয়া বৰপেটা মহকুমাৰ মহকুমাধিপতিয়ে ১৭০ ইটাৰ দাম বান্ধি দিছে। অথচ তেওঁলোকক চৰকাৰৰ

তৰফৰ পৰা ৫ বিঘাকৈ মাটি দিয়া হৈছিল আৰু সেই ৫ বিঘাৰ নামত তেওঁলোকে ৩০ বিঘাকৈ ৰাজত্ব চলাই আছে। গতিকে ৰাজহ মন্ত্ৰী আৰু উদ্যোগ মন্ত্ৰীয়ে দুখীয়াৰ মঙ্গলৰ কাৰণে এই বিষয়ে চিন্তা কৰিব নে ? দ্বিতীয়তে যোৱা বছৰত আমাৰ চৰকাৰে লক্ষ্য লক্ষ্য টকা ৫ হাজাৰ, ১০ হাজাৰকৈ স্কুল বিলাকত মঞ্জুৰী দিছে ফলত এই টকাবিলাক হৰণ কৰিবলৈ ইটাৰ দাম বঢ়াইছে এই কথা সঁচানে ?

শ্ৰীলক্ষ্মীকান্ত শইকীয়া ঃ মই মোৰ বক্তৃতা প্ৰসঙ্গত ব্যৱহাৰিক কৰৰ কথা কৈছিলো আৰু তেখেতে চাওঁ বুলি কৈছে। লগতে মই আৰু এটা কথা কব বিচাৰিছো এইটো কথা চৰকাৰে জানে নে নেজানে যে উত্তোলন জলসিঞ্চন আঁচনিত যোৱাবাৰ কৰ ধাৰ্য্য কৰিবৰ কাৰণে ব্যৱহাৰিক কৰ খেতিয়ক সকলে চুক্তিপত্ৰত চহী কৰিছিল আৰু যি সকলে কৰা নাছিল আগতীয়াকৈ আহু খেতি কৰিব নোৱাৰে। আমাৰ মঙ্গলদৈ মহকুমাতে চুক্তিপত্ৰত চহী নোহোৱা কাৰণে কলাইগাও উত্তোলক জলসিঞ্চনৰ দ্বাৰা ৰাইজ উপকৃত হব পৰা নাই। গতিকে এই কথাটো মন্ত্ৰী মহোদয়ে চাব নে?

Shri Md. Umarudding (Minister) : Sir, so far as the point raised by my friend Shri Jalaluddin is concerned that installation of shallow filter point tubewells is based on bank loans, that is the general policy everywhere except in a few cases where we are going to make some experiment on pilot project basis in flood prone areas to evolve the tunning of cropping, the pattern of cropping and the rest of it. Except for it the policy is the same all over. Now, so far as my friend Shri Saikia is concerned that last year for the Sali crop as a beginning I took an administrative steps, it is not a legal step, though the Govt. was capable or competent to impose a levy by law even last year, but I thought "let us make a beginning, let us train the people in the fulfilment of their responsibility," So only a nominal charge of 10 Kg per bigha was imposed which costs about Rs. 7. 50 P ; it is not a betterment levy or water rate we have imposed under the law ; that would be much higher. It is a beginning to bring about a sense of consciousness among the people that since they are using irrigation water which has been made available to them at a heavy cost

to ihe Govt., They have to fulfil their share of the responsibility in the matter irrigation charge. That is the idea, Sir. Therefore, I hope Mr. Saikia will help me in realising this little amount of 10 Kg. for the Sali paddy because but for the water a farmer would have lost 2 maunds per bigha which would have cost here Rs. 60/- at least.

মাননীয় অধ্যক্ষ ঃ মই এতিয়া কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰিম "বাজেটৰ দাবীৰ ২য় খণ্ডৰ ৭৭৯-৭৮৭ পৃষ্ঠাত "৩০৬-ক্ষুদ্ৰ জলসিঞ্চন" শিতানৰ ৭০ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ১,৭৮,৮৮,৫০০ টকা এটকালৈ হ্ৰাস কৰা হওক, অৰ্থাৎ সমূদায় মঞ্জুৰীৰ ১,৭৮,৮৮,৫০০ টকা এটকাকৈ হ্ৰাস কৰা হওক।

(The cut motion was lost)

Now, I put the main motion. The motion is that on the recommendation of the Governor of Assam, a sum of Rs. 1,78,88,600 be granted to the Minister-in-charge to defray the charges which will come in course of payments during the year ending the 31st March, 1977 for the administration of the head "306 Minor irrigation."

(The Grant No. 70 is passed)

Now, Grant No. 83.

Md Umaruddin (Minister Agri) : I request Mr. Bora to withdraw the cut-motion.

মিঃ স্পীকাৰ ঃ প্ৰমোদ গগৈ, তুলাল খাউণ্ড, কেহো হাজৰিকা নাই, গতিকে ইয়াৰ পিচৰটোলৈ যাওঁ।

মিঃ স্পিকাৰ ঃ আপুনি উইড্ৰ কৰিব নে কি?

শ্ৰীসোনেশ্বৰ বৰা ঃ উইড্ৰ কৰিবলৈ মোক অনুৰোধ কৰা নাই।

মিঃ স্পীকাৰ ঃ আপুনি কব নে কি?

শ্ৰীসোনেশ্বৰ বৰা ঃ নকওঁ।

মিঃ স্পীকাৰ ঃ ৮৩ নং দাবীটো ২৯ লাখ ৮৪ হাজাৰ ৬০০ টকা, ২৯,৮৪,৬০০ টকা এটকালৈ হ্ৰাস কৰা হওক।

শ্ৰীসোনেশ্বৰ বৰা ঃ মিনিষ্টাৰে মুভ কৰাহি নাই।

মিঃ স্পীকাৰ ঃ কৰিছে, একেলগে কৰিছে।

Mr. Speaker : Cut motion is lost. Now, I put the main motion. The motion is that on the recommendation of the Governor of Assam, a sum of Rs. 29,84,600 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1977 for the administration of the head "333-Irrigation, Navigation, Drainage and Flood Control Projects (I) Irrigation."

(The Grant is passed)

Now, I put the cut motion on Grant No. 98.

...The cut-motion is lost.

Now, I put the main motion. The motion is that on the recommendation of the Governor of Assam a sum of Rs. 5,52,00,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1977 for the administration of the head "306-Capital Outlay on Irrigation, Soil Conservation and Area Development (I)."

(The Grant is passed)

Grant No. 99 : There is no cut motion. I put the main motion. The motion ia that on the recommendation of the Governor of Assam, a sum of Rs. 75,00,000 be granted to the Minister-in-charge to defray the charge which will come in course of payment during the year ending the 31st March 1977 for the administration of the head "306-Capital Outlay on Irrigation, Soil Conservation and Area Development (II).

(The Grant Passed)

Mr. Speaker : There is no cut-motion on Grant No. 106. I put the main motion. The motion is that on the recommendation of the Governor of Assam a sum of Rs. 5,09,00,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1977 for the administration of the head "513-Capital Outlay in Irrigation, Navigation, Drainage and Flood Conlrol Projects (I)."

(The grant is Passed)

Shri Md. Umaruddin (Minister) : Sir I beg to move Grant Nos. 26, 66, 69, 72 and 97.

Mr. Speaker : Cut-motion on Grant No. 69.

*শ্রীসোনেশ্বৰ বৰা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই বাজেট দাবীৰ ৬৯ নং দাবীৰ ওপৰত কর্ত্তন প্রস্তাৱ উত্থাপন কৰিছো। বাজেট দাবীৰ দ্বিতীয় খণ্ড ৬৮৯ ৰ ৭৭৮ পৃষ্ঠাত "৩০৫ কৃষি" শিতানত ৬৯ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৬,৪৩,৯৯,৬০০ টকা এটকালৈ হ্রাস কৰা হওক। অর্থাত সমুদায় মঞ্জুৰীৰ ৬ কোটি ৪৩ লাখ ৯৯,৬০০ টকা এটকালৈ হ্রাস কৰা হওক।

Mr. Speaker : Cut motion moved.

শ্রীসোনেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, কৃষি সম্পর্কে মই ভাবো যিখিনি কথা আলোচনা কৰা হৈছে এই দাবীতো ৰাজ্যখনৰ কৃষিৰ ক্ষেত্রত বিশেষ উন্নতি সাধন কৰাত সফল হোৱাত সন্তোষৰ চাঁ পৰিছে। তদুপৰি এই বিভাগটোৰ দোষ-ক্রটী সম্পর্কে সমালোচনা কৰিব লগীয়াও হয়। মই অৱশ্যে বিৰোধী দলৰ সদস্য হিচাবে স্পষ্ট ভাবে এই কথা কৈছো যে চৰকাৰী পক্ষই সাপ হৈ খোটে আৰু বেজ হৈ জাৰে। বিধান সভাত প্রস্তাৱ এটা কৰা বা উঠাই লোৱাটো বৰ আহুকলীয়া কথা হয়। বিৰোধী পক্ষই আলোচনা বা সমালোচনা কৰে আৰু চৰকাৰী পক্ষই নামত সমর্থন কৰা দেখুৱাই, আচলতে

*Speech not corrected

কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰাত আমাক বহু সময়ত সহায় কৰে। গতিকে দাবী এটা যেতিয়া সমৰ্থন কৰা যায় আৰু দাবীটোৰ ভিতৰত যিখিনি বিষয় বস্তু অনা হয় সেইখিনিৰ প্ৰতি সমৰ্থন দি গলেও আচলতে প্ৰস্তাৱটো সমৰ্থন কৰাই হয়। অৱশ্যে তাত কিছু কথা সংযোগ বা বিয়োগ কৰা হয় যদিও শেষত প্ৰস্তাৱটো সমৰ্থিত হয়গৈ। পাৰ্লিয়ামেণ্টৰী প্ৰচিদিউৰ ফালৰ পৰা এই কথাখিনি মই কৈছো।

অধ্যক্ষ মহোদয়, কৃষি বঢ়াবলৈ হলে ইয়াৰ যি মূল মাটিৰ লগত সাৰ আৰু ইয়াৰ লগত গাওঁৰ সমাজৰ কথা আলোচনা কৰিবলগীয়া হয়। সদনত মই এটা কথাৰ বিক্ষোভ প্ৰকাশ কৰিছো যে কৃষক মানুহখিনিক দেশৰ আন আন শ্ৰেণীৰ মানুহৰ দৰে সন্মানিত কৰা নহয়। কৃষকৰ প্ৰতি এই অৱহেলাৰ কাৰণে আজি আমাৰ ভালেমান মানুহেই দেশৰ কৃষি এৰি চাকৰি বাকৰি বা অন্যান্য ব্যৱসায় বাণিজ্যলৈ ধাউতি কৰে। তাৰ ফলত সমাজৰ যিখিনি ডেকা লোকে খেতি কৰিব লাগিছিল খেতিৰ প্ৰতি তেওঁলোকৰ মন গা নুঠে।

অধ্যক্ষ মহোদয়, কৃষি উন্নত স্তৰলৈ আনিবলৈ হলে দেশৰ কোনো কৃষক লোকক যাতে অ*হেলা আৰু অবজ্ঞা নকৰে তাৰ এটা আৱহাৱা সৃষ্টি কৰিব পাৰিব লাগিব। এই অৱহেলাৰ বিৰুদ্ধে যিখিনি ব্যৱস্থা লব লাগে সেই ব্যৱস্থা চৰকাৰৰ আৰু সমাজ উভয়ে উভয়ৰে কৰ্ত্তব্য বুলি মই ভাবো।

মিঃ স্পীকাৰ ঃ আপোনাক আৰু সময় লাগিব হবলা? আপুনি পিচত কব।

মধ্যাহ্ন ভোজনৰ বাবে সদন ২-৩০ মিনিটলৈ স্থগিত থাকে।

(মধ্যাহ্ন ভোজনৰ পিচত)

*শ্ৰীসোনেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, কৃষি আৰু কৃষকৰ এই সমস্যাটো আগলৈ সমাধান কৰিব নোৱাৰিলে দেশৰ মুল সমস্যা বিলাক সমাধান হব নোৱাৰে। এই কাৰণে কৃষি বিভাগৰ আৰু কৃষিৰ ক্ষেত্ৰত থকা আসোঁৱাহ বিলাক দূৰ কৰিব লাগিব। তদুপৰি এই বিভাগটোত থকা দূৰ-নীতি বিলাক দূৰ কৰিব লাগিব। তেতিয়াহলে এই বিভাগটো নিকা হব আৰু কৃষিৰ উন্নতি হব আৰু কৃষিৰ উন্নতি বাঢ়িব। যোৱা কিছুদিনৰ আগতে

*Speech not corrected

এই বিধান সভাত আলোচনা হৈছিল যে বানপানীৰ সময়ত শিৱসাগৰ আৰু লক্ষীমপুৰ জিলাত কীটনাশক ঔষধ চটিয়াওঁটে প্ৰায় ৪৮ লাখ টকা খৰচ হৈছিল আৰু তাৰে সৰহ ভাগ অপব্যয় হ'ল। বানপানীৰ সময়ত কঠিয়াৰ ৰোৱাৰ সময়ত বহুতো ঔষধ চটিওৱা হৈছিল। সেই বিষয় আমি বিধান সভাত বহুতো আলোচনা কৰিছো। তথাপি সেই বিষয়টোৰ ওপৰত যথাৰ্থ উত্তৰ পোৱা নাই। এই বিভাগটোৱে এই ধৰণেৰে ৪৮ লাখ টকা পৰ্য্যন্ত ঔষধ চটিওৱা বিষয়টোত কেনেকৈ এনে দুৰ্নীতি হবলৈ পালে সেই বিষয়ে জনসাধাৰণৰ মাজত এক আতংক আৰু সাথৰৰ সৃষ্টি হৈছে। গতিকে মই এই বিষয়টো উথাপন কৰিছো। অসমত অসমীয়া মানুহৰ আৰু অসমৰ খেতিৰ ওপৰত এটা বদনাম আছে। কিতিৰা বা সৰু হলেই হ'ল অসমীয়া আৰু শকত বা ডাঙৰ হলেই বিলাটী, মই জাহাজী কলৰ উদহৰণটো দি কৈছো যে কলটো সৰু হলে অসমীয়া আৰু ডাঙৰ হলে বিলাটী বুলি কয়। সেইদৰে অমিতা সৰু হলেই অসমীয়া আৰু ডাঙৰ হলেই বিলাটী হয়। গতিকে এই আখ্যা বিলাকে অসমৰ খেতি আৰু খেতিয়কৰ ওপৰত বদনাম আনিছে। আৰু অসম চৰকাৰে এই বদনাম দূৰ কৰিব পাৰিব লাগিব। অসমৰ বস্তু কিতিৰা হলে তাৰ যে গুণ আছে এই বিলাক কথা চেষ্টা কৰি প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰিলে ভাল হব। অসমৰ জাহাজী কল যিবিলাক উৎপাদন হয় পৰিমাণত সৰু হলেও শকত নিপোটল জাহাজী কলৰ যিমান গুণ তাতকৈ অধিক গুণ এই কলত থাকে।

অধ্যক্ষ মহোদয়, কিছুদিনৰ আগতে অসম চৰকাৰৰ ফালৰ পৰা কৃষি বৃদ্ধিৰ কাৰণে চেষ্টা কৰাৰ কথা কৈছে। গাৱে ভূৱে আৰু পঞ্চায়ত আদিত পথাৰ পৰিচালনা কমিটি গঠন হৈছে। এই কমিটি সময় মতে কৰিব নোৱাৰাৰ কাৰণে বহুতো বিভাগীয় কৰ্মচাৰীৰ চাচপেনচন আৰু বৰ্খাস্ত আদিৰ শাস্তিমূলক ব্যৱস্থাও হৈছিল। পথাৰ পৰিচালনা কমিটিৰ বাহিৰেও নতুন নতুন কমিটি গঠন কৰি কৃষি উৎপাদন বৃদ্ধি হব বুলি ভাবিলে কৃষি উৎপাদন বৃদ্ধি নহব বুলি মই ভাবো। বৰ্তমান সময়ত আৰু এটা নতুন কৃষি সেৱা সমিতি গঠন হৈছে। এই আলোচনা প্ৰসঙ্গত মই এই কথা উল্লেখ কৰিব খুজিছো যে এই কমিটি বিলাকত পথাৰ পৰিচালনা কমিটিয়েই হওক বা কৃষি সেৱা কমিটিয়েই হওক ইয়াত ৰাজনীতি

কৰা মানুহ সোমাইছে আৰু টাইচুট পৰা কৰ্মচাৰী আছে। যাৰ ওপৰত এই কমিটি বিলাকৰ দায়িত্ব ভাৰ অৰ্পন কৰা হৈছে। তেওঁলোকৰ ওপৰত নিৰ্ভৰ কৰিলে পথাৰ পৰিচালনাৰ দৰেই অকৃতকাৰ্য্য হোৱাটো নিশ্চিত। যিবিলাক মানুহে নাঙল ধৰিব নেজানে আৰু নাঙল ধৰিলে জাত যায় বুলি ভাৱে তেনেকুৱা মানুহ লৈ গঠন কৰা পথাৰ পৰিচালনা কমিটি বা কৃষি সেৱা কমিটিৰ পৰামৰ্শ খেতিয়ক সকলে মানি লবলৈ টান পায়।

সেই কাৰণে যদি কৃষকৰ কাৰণে কিবা কমিটি কৰিবলগীয়া হয় তেনেহলে কমিটি বিলাকত পৰিশ্ৰম কৰিব পৰা খেতিয়ক লব লাগিব। তেতিয়াহলে খেতিয়ক সকল উপকৃত হব। ইয়াৰ বাহিৰেও খেতিয়ক সকলক আৱশ্যকীয় খা-খোৱাক, শিক্ষা-দিক্ষা দি কৃষি বিশ্ববিদ্যালয় বা কৃষি কলেজ গঠন কৰি যাতে খেতিয়ক সকলক শিক্ষা দিব পৰা হয় তাৰ বাবে চেষ্টা কৰিব লাগে। আজি বিশ্ববিদ্যালয়ত কৃষি গৱেষণাগাৰ আছে। এই গৱেষণাগাৰ বিলাকত কৃষি বিষয়ে ভালদৰে গৱেষণা কৰিবলৈ চেষ্টা কৰিব লাগে। কাছাৰ, গোৱালপাৰা, কামৰূপ আদি জিলাত, নানা ধৰণৰ কৃষি সমস্যা আছে। এই ঠাই বিলাকত পানী আৰু সাৰ প্ৰয়োগ কৰি কৃষি উৎপাদন যাতে কৰিব পাৰি তাৰ চেষ্টা কৰিব লাগে। গতিকে এই গৱেষণাগাৰ বিলাক একে ঠাইতে নাৰাখি বিভিন্ন কৃষি অঞ্চলত এই গৱেষণাগাৰ থাকিব লাগে। কাৰণে এইটো কথা মই নিজে খেতিয়ক হিচাবে ভালদৰে বুজি পাওঁ।

মই এতিয়া আলু আদি কিছুমান খেতিৰ বিষয় কম। আলু, বিলাহী আদি খেতিত ব্লাইড বেমাৰ হয়। এই বেমাৰৰ ঔষধ ওলাইছে যদিও কাম নকৰে। আমাৰ ইয়াত আঘোণ মাহত বৰষুণ নহৈ পুহ মাহত ডাঙৰ বৰষুণ হয়। গতিকে ঠাণ্ডা সহ্য কৰিব নোৱাৰি আলু আদি খেতিত ব্লাইড বেমাৰ হয়। আমাৰ গৱেষক সকলে এই বেমাৰ নিৰ্মূল কৰিবৰ কাৰণে নানা ৰকমৰ ঔষধ উলিয়াইছে কিন্তু এই ঔষধে কোনো কাম কৰা নাই। গতিকে আমি আঘোণ মাহ হোৱাৰ আগতেই বতৰৰ কথা ভাবিব লাগিব। পুহ মাহত কিমান জাৰ পৰিব, পানী হব নে নহয়, ব্লাইড বেমাৰ নিবাৰণ কৰাৰ লগে লগে আমি এইবোৰ কথা চিন্তা কৰিব লাগিব। আজি ৰেডিঅ, নানা পুস্তিকা আদিত কৃষি বিষয়ত নানা ধৰণৰ আলোচনা, প্ৰবন্ধ আদি পঢ়িবলৈ পোৱা যায়।

কিন্তু ৰেডিঅৰ দ্বাৰা সেই অঞ্চল বিলাক পোহৰাই তুলিব নোৱাৰো। গতিকে খেতি কৰিবলৈ হলে প্ৰকৃত শিক্ষা দিব লাগিব আৰু কি ঠাইত কেনে ধৰণৰ মাতিত খেতিয়কে কেনে ধৰণৰ খেতি কৰিব আৰু তাত কিমান পৰিমাণে সাৰ দিব লাগিব, কোন মাহত সাৰ বা পানী প্ৰয়োগ কৰিব লাগিব। এই সকলো বিলাক কামত চাবডিভিজন অফিচাৰ সকলে সহায় কৰিব পাৰে। কিন্তু সদায় আপত্তি কৰি অহা সত্ত্বেও সময় মতে মাটি পঠাৰ পৰীক্ষা কৰা নহয় ফলত খেতিয়ক সকলে নিজে অন্যান্য ব্যৱস্থা লবলৈ টান পায়।

কুঁহিয়াৰ খেতিটো নানা ৰকমৰ বেমাৰ হয়। মই মোৰ নিজৰ গোলাঘাটৰ কথাকেই কৈছো তাত পানীৰ অভাৱত বহুতো কুহিয়াৰ খেতি ৰঙা পৰি মৰি গৈছে। গৱেষক সকলক কোৱাত তেওঁলোকে কয় যে বৰ্তমান থকা জাতৰ কুঁহিয়াৰ বিলাক খেতি কৰিবলৈ বাদ দি নতুন জাতৰ কুহিয়াৰৰ খেতি কৰিব লাগে। তাৰোপৰি সেই মাটি ডোখৰত তিনি বছৰ মান খেতি নকৰাকৈ পেলাই থলে নিজে সেই বেমাৰ নাইকীয়া হৈ যায়। কিন্তু সেই দুখীয়া খেতিয়ক সকলে কেনেকৈ তিনি বছৰবলৈ মাটি পটিত পেলাই থয়? কাৰণ সেই খেতিয়ক সকলৰ খেতি কৰিবলৈ অন্য মাটি নাই। গতিকে কৃষি গৱেষক, পণ্ডিত আদিয়ে এই বেমাৰৰ চিকিৎসা কৰিব নোৱাৰাত খেতিয়ক ৰাইজৰ মাজত এক আতংকৰ সৃষ্টি হৈছে। এইটো সচা কথা যে আজি আমাৰ দেশত দানেই হৈছে একমাত্ৰ খেতি। যাৰ দ্বাৰা বহুত মানুহ জীয়াই আছে। যিসকলৰ মাটি আছে তেওঁলোকে প্ৰণালী বদ্ধ ভাৱে জলসিঞ্চনৰ ব্যৱস্থা কৰি ধান খেতি কৰিছে।

আমাৰ সেই অঞ্চলত কিছুমান ঠাইত শিমলু আলু হয়। যাৰ ওজন এটাই ৫/৬ কেজিলৈকে হয়। আৰু এই আলুবিলাক ওচৰৰ বজাৰত জনজাতীয় মানুহবিলাকে বিক্ৰি কৰে। ইয়াৰ পৰা চাগু আদিও তৈয়াৰ কৰা হয়। কিন্তু এই শিমলু আলু কি ধৰণে হব পাৰে তাৰ বিষয়ে চৰকাৰৰ ফালৰ পৰা বিশেষ জোৰ দিয়া নাই গোৱালপাৰা জিলাৰ বড়ো মানুহ বিলাকে এই শিমলু আলু খায়। আৰু তেওঁলোক যলৈকে যায় তাতেই এই খেতি কৰে। তেওঁলোকে নিজৰ ঠাইৰ পৰা এই আলুৰ সচ লগত লৈ যায়। কিন্তু আমাৰ ফালে আলু হয় কিন্তু আলু কম হয়। সেইকাৰণে চৰকাৰে চাব লাগে যাতে এই আলু ডাঙৰ হয় আৰু ইয়াৰ পৰা প্ৰচুৰ চাগু উৎপন্ন হব পাৰে। এসময়ত অসমৰ মানুহে

নিজকে স্বাৱলম্বী কৰি তুলিব পাৰিছিল। কিছুমান গাওঁ কোনো গাওঁ বিখ্যাত আছিল। যেনে— জাপি সজীয়া, তিৰৱোয়াল, ফেচুয়াল, কহুৱাল, কমৰিয়াল, আদি গাওঁ স্বাৱলম্বী হৈছিল। কিন্তু আজি স্বাধীনতাৰ ৩০ বছৰ পিচতো এই গাওঁ-বিলাকৰ কৃষক সকলৰ উন্নতিৰ একো ব্যৱস্থা কৰিব নোৱাৰাটো বৰ পৰিতাপৰ কথা।

সচা কথা আজি খেতিৰ মাটিৰ ওপৰত হেচা পৰিছে। আৰু বাইজৰ কামৰ ওপৰত হেচা পৰিছে। আজি একেধৰণেৰে সকলো খেতি সহজে কৰিব পাৰি। আজি তামোলৰ বাকলিৰ পৰা প্লষ্টিক কৰিছে। ১০০টা নাৰি-কলৰ বাকলিৰ দাম ১০০ টকা হৈছে। যদি কৃষিৰ লগত উদ্যোগৰ সামঞ্জশ্য ৰাখিলে নিশ্চয় সকলো ফালৰ পৰা উন্নতি হোৱাতো সম্ভৱপৰ হব। নাৰিকলৰ বাকলিৰ পৰা ৰচি তৈয়াৰ কৰি হাতেৰে চতি কাৰপেট আদি তৈয়াৰ কৰিছে। কিন্তু আমাৰ অসনত সেইটো হোৱা নাই। বহুত মন্ত্ৰী আৰু আন আন বিষয়া আন আন ঠাইত ভ্ৰমণ কৰে কিন্তু কিয় কব নোৱাৰো, এই গৱেষণা বিলাক অন্য প্ৰদেশত যেনেকৈ ব্যৱস্থা লব পাৰিছে কিয় আমাৰ ইয়াত লব পৰা নাই। নগাওঁ আৰু কামৰূপ জিলাত ইমান বেচি নাৰিকল হয় যে কেৰেলা প্ৰদেশতো ইমান সংখ্যক নাৰিকল মই দেখা নাই। কিন্তু নাৰিকলৰ বাকলিৰে কেৰেলা প্ৰদেশত ভালেমান উন্নতি কৰিছে কিন্তু আমাৰ প্ৰদেশত লব পৰা নাই। সেই কাৰণে কৃষি বিভাগে অসমৰ উৎপাদন বঢ়াব পৰা নাই। কেতিয়াবা কেতিয়াবা কাগজত পোৱা যায় যে, কেৰেলাত ইমান মোন কেজু ৰপ্তানি কৰি ইমান বিদেশী মুদ্ৰা অৰ্জন কৰিছে। অসমৰ মিকিৰ হিলচত কাজু হয়। কাজু যে হয় সেইটো আমি জানো কাৰণ আমি কাজু ৰুই চাইছো। মিকিৰ হিলচত কাজু হোৱা বতৰো আছে। কিন্তু কেনেকৈ ৰাখিব লাগে সেইটো চোৱা হোৱা নাই। আজি কেৱল মাত্ৰ ধান খেতিৰ ওপৰতেই বেচিকৈ হেচা দিয়া হৈছে। যদি নতুন কোনো আঁচনি চৰকাৰে দাঙি ধৰে তেতিয়া খেতিয়কক চৰকাৰৰ আৱশ্যক কিন্তু এই ধান খেতি কৰিবলৈ বা পুৰণি পদ্ধতিৰে যি খেতি কৰিব লাগে সেই খেতি কৰিবলৈ চৰকাৰৰ কোনো আৱশ্যক নাই? আজি সাতামপুৰুষীয়া যি খেতি চলি আছে সেই খেতিৰ কাৰণে চৰকাৰৰ কোনো আৱশ্যক নাই। আজি যদি অসমৰ অফিচে অফিচে থকা ফাইল বিলাক পুৰি পেলোৱা হয়, তথাপি কৃষিৰ কোনো সলনি নহব।

কেৱল যে গৱেষণাৰ জৰিয়তে কৃষিৰ উন্নতি হয় তেনে নহয়, ৰাজনৈতিক ভাবেও আগবঢ়াই নিব পৰা যায়। এই কথা আগত ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। আমাৰ চৰকাৰে এই কথাবিলাক চাব আৰু এটা কথা মিকিৰ হিলচত পানী যোগানৰ ক্ষেত্ৰত যি দৰে দুৰ্নীতি হৈছে আৰু কুঁহিয়াৰ শাল দিয়াৰ ক্ষেত্ৰত দেখা গৈছে যে আচলতে মিকিৰ হিলচৰ মিকিৰ মানুহখিনিয়ে কুঁহিয়াৰ শাল আচলতে পোৱা নাই। সেইবিলাক দূৰ্নীতিৰ মাজেদিয়েই বিক্ৰী হৈ গল আকৌ এবাৰ পকা কুৱাৰ কাৰণে প্লেট দিলে যদিও আচলতে মিকিৰ পাহাৰৰ মানুহখিনিয়ে নাপালে কোনোবা অফিচাৰৰ ঘৰতহে সেইবিলাক থাকিলগৈ এই খিনি কথাকে কৈ মোৰ বন্ধুসকলে এই বিষয়ত আৰু কব গতিকে মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

*শ্ৰীনগেন বৰুৱা : মাননীয় অধ্যক্ষ মহোদয় কৃষিৰ ওপৰত যিটো কৰ্ত্তন প্ৰস্তাৱ সেইটো সমৰ্থন কৰি মই কেইষাৰ মান কথা মাননীয় সদস্যসকল আৰু চৰকাৰৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে আমাৰ অসমখনক কবি সকলে বহুত দিনৰ আগতে কৈ গৈছে শস্য শ্যামলা বুলি। এইটো কথা ঠিক যে জনসাধাৰণেও অসমখনক শস্য শ্যামলা দেশ বুলি ভাৰতবৰ্ষৰ ভিতৰতেই ধুনীয়া বুলি জানে। অসমত ইমান বেছি শস্য হয় যে পৃথিবীৰ ভিতৰতে কোনো অঞ্চলতে সিমান খেতি নহয় অসমত সকলো খেতিয়েই হয়। আমাৰ অসম জলবায়ু আৰু যিটো পৰিস্থিতি যি ধৰণৰ মাটি যিটো ভৌগলিক পৰিস্থিতি সেই পৰিস্থিতিত অসমত সকলো প্ৰকাৰৰ খেতিয়েই হয়। অসমৰ বহুত ঠাইত এনে হাবি জঙ্গলে বহুত খেতি হয়। সেই খেতি বিলাক আচলতে গতানুগতিক ভাৱে আৱহমান কালৰ পৰাই আমাৰ মানুহ বিলাকে বিস্তাৰিতভাৱে কৰি আছে। আমি যদি সেই খেতিৰ উৎপাদন বঢ়োৱাৰ কাৰণে চেষ্টা কৰো নিশ্চয় সেইবিলাক শস্যৰ উৎপাদন বৃদ্ধিৰ লগে লগে আমাৰ অৰ্থ নৈতিক বিকাশ সাধনো সম্ভৱপৰ হব। অন্যান্য দেশৰ মানুহবিলাক যেনেকৈ লাভবান হৈছে আমাৰ দেশত আচলতে সেইটো হোৱা নাই। বৃটিছ বিলাক আহিছিল যেতিয়া তাৰ আগতেই আমাৰ ইয়াত চাহ খেতি কৰা হৈছিল যদিও আচলতে বৃটিছ সকল আহিয়েই চাহ খেতি উন্নত কৰাৰ দিহা কৰিলে আৰু তাৰ পৰা লাভবান হোৱাৰ কাৰণে ব্যৱস্থা কৰিছিল। বিজ্ঞানসম্মতভাৱে কৰা বাবেহে চাহ

*Speech not corrected

খেতিৰ কাৰণে সিমানখিনি লাভৱান হব পাৰিছিল। আমি এতিয়া যদি আমাৰ আওপুৰণিকলীয়া ভাৱে খেতি কৰিবলৈ বৈ নাথাকি বিজ্ঞানসন্মত প্ৰণালীৰে খেতি কৰাত জোৰ দিও নিশ্চয় আমাৰ অধিক শস্য উৎপাদন হব আৰু তাৰ দ্বাৰা আমাৰ দেশৰ অৰ্থনৈতিক বিকাশ সাধন কৰিব পৰা যাব। অসমত আৰু এনে কিছুমান শস্য আছে যি বিলাকৰ উংপাদনৰ প্ৰচুৰ সম্ভাৱনা আছে। সেই বিলাক শস্য আজি বিজ্ঞানসন্মভাৱে কৰাৰ ব্যৱস্থা কৰিব পৰা নাই কাৰণেই আজি অসমৰ কৃষি আৰু কৃষকৰ উন্নতি হোৱা নাই আৰু আমাৰ কৃষক সকল এতিয়াও দূৰ্ব্বল হৈ আছে। আচলতে আমাৰ দেশত এই খেতি হোৱাৰ সম্ভাৱনা থকা সত্বেও আমি ঠিকমতে যত্ন কৰা নাই। বৰ্ত্তমান চৰকাৰৰ নগৰ চহৰ চুব পৰা এটা কৃষি বিভাগ আছে যদিও আচলতে আমি এই বিভাগটোৰ জৰিয়তে আমাৰ উদ্দেশ্য সমূহ কাৰ্য্যত ৰূপায়িত কৰিব পৰা নাই আৰু তাৰ ফলতেই আজি আমাৰ অসম ডেফিচিট ষ্টেট হিচাবে আছে। যোৱা বছৰ বানপানী নোহোৱা কাৰণে আৰু খৰাং বতৰ আদিৰ প্ৰকোপ নথকা কাৰণে বৰষুণ ঠিকমতে হোৱা কাৰণে সৰহভাগ খেতিয়েই বিশেষকৈ ধান খেতি আদি আৰু ৰবি শস্যৰ খেতি ভাল হৈছে আৰু সেই খাৰিফ শস্য ভাল হোৱা কাৰণেই ৰাইজ আৰু লগতে চৰকাৰেও এটা স্বতি লাভ কৰিছে। তাৰ ফলতেই ধান সংগ্ৰহৰ ক্ষেত্ৰত এটা ভাল ফল পোৱা গৈছে। আৰু সংগ্ৰহৰ ক্ষেত্ৰত আমি এটা ভাল ফল পাইছো যদিও ই এইটো নুবুজায় যে অসমত ভাল জলসিঞ্চনৰ ব্যৱস্থ হৈছে। খেতিয়কে খেতিৰ উন্নত বীজ পাইছে খেতিৰ সজুলি স্বৰূপ ভাল নাঙল আদি উন্নত যে হৈছে মাটি পৰীক্ষাৰ ক্ষেত্ৰত আমূল পৰিবৰ্ত্তন হৈছে আৰু সকলো ৰকমৰ বৈজ্ঞানিক পদ্ধতিৰে খেতি উন্নত কৰা হৈছে। খেতিৰ সকলো সা-সুবিধা খেতিয়কে পাইছে কাৰণেই উৎপাদন যে বৃদ্ধি হৈছে সেইটো নহয়। ইয়াৰ বাস্তৱ কথা হল এইবাৰ বতৰ ভাল হৈছে বানপানী অহা নাই সেই কাৰণেই উংপাদনৰ সাফল্য আমি লাভ কৰিছোঁ। কিন্তু আজিও অসমৰ খেতিয়কে সেই পুৰণি পদ্ধতিৰেই কৃষি কাৰ্য্য চলাই আছে। সেই পুৰণিকলীয়া নাঙল জুৱলি সেই একেধৰণৰ বীজ সেই বুঢ়া হালোৱা গৰু আদিকে লৈ আজিৰ খেতিয়কেও উৎপাদনৰ কাম চলাই আছে। অন্যান্য ৰাজ্যত বৰ্ত্তমানে বৈজ্ঞানিক পদ্ধতিৰে শষ্য উৎপাদনৰ প্ৰগতি লাভ কৰিছে। বৈজ্ঞানিক পদ্ধতি বিলাক খেতিত প্ৰয়োগ হৈছে

সেইটো কিন্তু আমাৰ ৰাজ্যত হোৱা নাই। যেতিয়া স্বৰ্গীয় জৱহৰলাল নেহেৰু প্ৰধান-মন্ত্ৰী আছিল তেতিয়া প্ৰায় ১৯৫৮ কি ৫৯ চনত তেখেতে কৈছিল যে ভাৰতৰ খেতি পথাৰত যেতিয়া কাঠৰ নাঙলৰ পৰিবৰ্ত্তে লোহাৰ নাঙল খেতিয়ক সকলক দিব পৰা হব তেতিয়াহে কৃষি প্ৰণালীৰ উন্নত হৈছে বুলি সৰ্ব্বসাধাৰণৰ মনত এটা ধাৰণা জাগিব। তেখেতৰ সেই আশা এতিয়াও আশাতেই ৰৈ আছে আৰু খেতি বিষয়ত পুৰণিকলীয়া ব্যৱস্থাই চলি থাকিল। অসম চৰকাৰে প্ৰতি বছৰে কৃষিৰ উন্নতিৰ কাৰণে বাজেটৰ টকা ধৰিছে কিন্তু টকা ধৰা স্বত্বেও আজিলৈকে শতকৰা ২ ভাগো পুৰণি ব্যৱস্থা আতৰ কৰি নতুন ব্যৱস্থা কৰিব পৰা নাই। গতিকে এই মৰ্ম্মে আমি কি নতুন ব্যৱস্থা কৰিছো সেই সম্পৰ্কে মই চৰকাৰৰ পৰা অলপ জানিব বিচাৰো যে এই ক্ষেত্ৰত কিমান খিনি আচনি কৰি চৰকাৰে কিমান অগ্ৰগতি লাভ কৰিছে। আৰু এই আচনিৰ জৰিয়তে খেতিয়ক সকলকে বা কিমান আগবঢ়াইছে। তাৰ যেন এটা আভাব দিয়ে। আমাৰ অসমৰ মাটিত সকলো প্ৰকাৰৰ খেতি হয়। খাদ্য শষ্য, অৰ্থকৰি শষ্য, ব্যৱহাৰি শষ্য, ব্যৱসায়ী শষ্য এই সকলো প্ৰকাৰ শষ্যই উৎপাদন হয়। মূল খাদ্য শষ্যৰ ক্ষেত্ৰত যিটো মাটি আছে সেই মাটি পূৰণ কৰিবলৈ ধানৰ লগে লগে ঘেঁহু শষ্য কৰাতেই কৃষি বিভাগ আৱদ্ধ আছে। অৰ্থাৎ চৰকাৰ আৱদ্ধ আছে। তেনে এটা আভাষকে সৰ্ব্বসাধাৰণক চৰকাৰে দি আহিছে আৰু তাতেই আমাৰো মন আৱদ্ধ হৈ আছে। কিন্তু অসমত অন্যান্য শষ্য উৎপাদনৰ যি আচনি লব লাগে সি আমাৰ অসমত হোৱা নাই। এই বিষয়ত অসম সকলোতকৈ পিচ পৰি আছে আজি যি বিলাক ৰাজ্য কৃষি ক্ষেত্ৰত আগবাঢ়িছে সেই বিলাকে অকল ঘেহূ আৰু ধানতে আৱদ্ধ থকা নাই। তেওঁলোকৰ দেশত যি বিলাকৰ খেতি নহয় নানা গৱেষণাৰ জৰিয়তে সেই বিলাকৰ খেতি কৰি ভালকৈ লাভবান হৈছে। হয়তো কোনোবা অঞ্চলত নেমু-টেঙা নহয়, তাত তেওঁলোকে নেমুটেঙা কৰিছে। কোনো ঠাইত ধান নহলে ধান উৎপাদন কৰাৰ কাৰণে বৈজ্ঞানিক উপায় অৱলম্বন কৰিছে। আমাৰ দেশত কিন্তু সকলো ৰকমৰ খেতি কৰাৰ কাৰণে গভীৰ গৱেষণাৰ কোনো প্ৰয়োজন নহলহেতেন। ইয়াৰ কৰবাত হয়তো প্ৰচুৰ পৰিমাণে কমলা টেঙা উৎপাদন কৰিব পাৰি কোনো কোনো ঠাইত প্ৰচুৰ নেমুটেঙা হয় কৰবাত মৰা

পাট আদি অৰ্থকৰি শস্য উৎপাদন হয়। এইটো কৰিলে আমি লোকৰ পৰা একো ধাৰ নকৰিলেও আমাৰ ৰাজ্যখন শষ্যৰে নদন বদন কৰিব পাৰিলোহেতেন। কিন্তু আমাৰ চৰকাৰে তেনে কোনো আঁচনি লোৱা নাই। তেনে আঁচনি ললে এই বিধান সভাত আমাৰ টকা দিয়াত আপত্তি নাথাকিলেহেতেন। চৰকাৰে এই বিষয়ে ব্যাপকভাৱে চিন্তা কৰা বুলি মই অনুভৱ কৰা নাই। মই এনে এটা অঞ্চলৰ পৰা আহিছো অসমৰ যি ঠাইত প্ৰথম চেনিকলটো আৰম্ভ হৈছিল সেই বৰুৱাবামুণগাওঁত চেনি কল আৰম্ভ হোৱাৰ লগে লগেহে কুঁহিয়াৰৰ খেতি কৰিবলৈ আৰম্ভ কৰিছে। যি বিলাক ঠাই এই নাওজান, বোকাজান, সৰুজান, আৰু মিকিৰ পাহাৰ জিলা আদিত জঙ্গল কাটি মানুহে কুঁহিয়াৰ খেতি আৰম্ভ কৰিলে আৰু সেই কুঁহিয়াৰ যোগান ধৰি চেনিকল চলালে কিন্তু আজিও মানুহে উৎপাদনৰ সীমা অতিক্ৰম কৰিব পৰা নাই। ইয়াৰ কাৰণ হল এতিয়াও সেই উৎপাদনকাৰী সকলক বৈজ্ঞানিক উপায় অৱলম্বন কৰি কুঁহিয়াৰ উৎপাদন কৰাত কোনো প্ৰেৰনাই চৰকাৰে দিব পৰা নাই। যি ধৰণৰ কুঁহিয়াৰ খেতি কৰিলে চেনিৰ উৎপাদন বৃদ্ধি হয় তাৰ ভূ এতিয়াও উৎপাদনকাৰীয়ে পোৱা নাই। সেই পুৰণি পদ্ধতি সেই পুৰণি আহিলাপাতি লৈয়ে উৎপাদনৰ কাম চলাই থাকিল। ফলত আমি যিমান লাভবান হব লাগিছিল সেইটো হোৱা নাই। এনেকি ওচৰে পাজৰে যি ঠাইত সৰহ উৎপাদনৰ সম্ভাৱনা আছে তাৰ নিৰ্দ্দেশ চৰকাৰে একো দিব পৰা নাই। উন্নত বীজ, উন্নত আহিলাপাতি, বৈজ্ঞানিক পদ্ধতি আজি অসম চৰকাৰৰ আঁচনিতে থাকিল। সেই পুৰণি কলীয়া নাঙলেই থাকিল। ট্ৰেক্টৰ আঁচনিত থাকিল। কুঁহিয়াৰ তলিৰ পোক নাশক কোনো প্ৰতিষেধক বস্তুৰ প্ৰয়োগ আঁচনিতে থাকিল। কাৰ্য্যক্ষেত্ৰত তাৰ প্ৰয়োগ নহল। গতিকে চেনী কলত যি পৰিমানে কুঁহিয়াৰৰ দৰ্কাৰ সিমান খিনিৰ যোগান ধৰিব এতিয়াও পৰা নাই। এতিয়াও প্ৰচুৰ কুঁহিয়াৰ হোৱাৰ সম্ভাৱনাৰ ঠাইত কুঁহিয়াৰৰ খেতি হোৱা নাই। বৰ্ত্তমানে অসমৰ বিভিন্ন অঞ্চলত চেনী কল হোৱাৰ দাবী হৈছে সেই বিলাকতো একে আহ্‌কালে ঘটি থাকিব। কুঁহিয়াৰ খেতিত যদি বৈজ্ঞানিক প্ৰণালীৰে খেতি কৰিব নোৱাৰে উন্নত ধৰণৰ কুঁহিয়াৰ খেতি কৰাত যদি খেতিয়কক যদি প্ৰেৰণা যোগাব নোৱাৰে তেতিয়াহলে আৰু বেছি চেনি কল নিৰ্ম্মাণ কৰি কোনো লাভ নাই। যোৱা বছৰ চেনিৰ দাম লৈ মনোমালিন্যৰ সৃষ্টি হল আৰু তাৰ

কাৰণে প্ৰধান মন্ত্ৰীয়ে হস্তক্ষেপ কৰিবলগীয়া হৈছিল তেতিয়া এই খেতিয়ক সকলৰ লগত আলোচনা কৰি চুক্তিত উপনীত হৈছে।

সেই চুক্তি স্বাক্ষৰিত হোৱাৰ পাছত আঁচনি লোৱা হল কিন্তু তাৰ পৰা কি লাভ হল আৰু তাত কৃষি বিভাগে কি বৰঙণি দিলে আৰু এই চেনি উৎপাদন বৃদ্ধি কৰিবৰ কাৰণে কি ব্যৱস্থা লোৱা হ'ল সেই বিষয়ে আজিও চোৱা নহল। গতিকে গতানুগতিক ভাৱে যি ধৰণে কুহিয়াৰৰ খেতি হৈ আহিছে আৰু এই ক্ষেত্ৰত অসমত যি কেইটা চেনিকল পাতিবলৈ বিচৰা হৈছে সেই কেইটাক পুৰাব পৰাকৈ যিমান খিনি চেনিৰ আৱশ্যক হব সেই অনুপাতে বহু বছৰ লাগিব। কিন্তু সেই সময় চোৱাৰ ভিতৰত যিমানখিনি কুঁহিয়াৰ পেৰিব পাৰিব সিমান খিনি উলিয়াই যাতে এই নতুনকৈ কৰিব খোজা চেনি কলক পুৰাব পৰাকৈ ক্ষেত্ৰ তৈয়াৰ কৰি নলও আৰু এই কুঁহিয়াৰ খেতিৰ কাৰণে যদি ব্যাপক ব্যৱস্থা হাতত নলও তেতিয়'হলে বৰ্ত্তমান অৱস্থাত এই বৰুৱা বামুণগাওঁৰ চেনিকলত যি ৰকমে আমি লোকচান ভৰিবলগীয়া হৈছো আন কেইটা চেনিকলৰ ক্ষেত্ৰতো একেই অৱস্থা হব। সেই কাৰণে এই আঁচনিবোৰ লৈ উৎপাদনৰ ক্ষেত্ৰত কিবা এটা কৰিবলৈ হলে চৰকাৰ আৰু কৃষিৰ প্ৰসাশনৰ মাজত এটা সমন্বয় স্থাপন কৰি তাৰ অগ্ৰগতি লাভৰ ক্ষেত্ৰত কিমান খিনি খতিয়ান আছে এই খিনি লোৱাৰ কাৰণে প্ৰয়োজন বুলি মই নিবেদন কৰিছো। তাৰোপৰি আমাৰ খেতিয়ক সকলক যদি আমি নিয়মীয়াকৈ খেতিৰ সা-সজুলী ইত্যাদি যোগান ধৰিব নোৱাৰো তেতিয়াহলে খেতিয়কৰ খেতি ভাল ধৰণে কৰাতো সম্ভৱপৰ নহয়। জলসিঞ্চনৰ ক্ষেত্ৰত আমাৰ মাননীয় সদস্য সকলে যি মত প্ৰকাশ কৰিছে তাত মোৰ একমত। আমাৰ মাটি বিলাক বালিয়া মাটি নহয়, সাৰুৱা মাটি, খৰালি আহিলে বৰ টান হয়, গতিকে তাত কোৰ মাৰিবলৈ বৰ কষ্ট হয়। গতিকে এনেবিলাক কাৰণত আমাৰ খেতিয়ক সকলক আজি শক্তিশালী নাঙলৰ প্ৰয়োজন হৈ পৰিছে আৰু সেইবিলাকৰ লগত আমি জলসিঞ্চনৰ কথাটো চিন্তা কৰা উচিত। খৰালি সময়ত যিবিলাক আঁচনি হয় তাত মাহ, সৰিয়হ, মৰাপাট, ইত্যাদি খেতি কৰা কাৰণে যিটো খেতিয়ক সকলৰ আহুকলীয়া অৱস্থা হয় সেইটো নিবাময় কৰিবলৈ খেতিয়ক সকলক কিছু সকাহ দিব লাগে। তাকে কৰিবলৈ হলে মেকানাইজ ব্যৱস্থা হব লাগিব আৰু তাৰ

জৰিয়তে শক্তিশালী নাঙলৰ প্ৰয়োজন আৰু যান্ত্ৰিক কথা-বতৰা বিলাক চাব লাগে। তাকে নকৰা কাৰণে অধিক উৎপাদনত আমাৰ খেতিয়ক সকল বিশেষ আগবাঢ়িব পৰা নাই। মাননীয় সদস্য সকলে কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰোতে কৈছিল আমাৰ যিবিলাক অন্যান্য খেতি, যেনে— ঘেহু, মাহ ইত্যাদি বিশেষ জোৰ নিদিয়া কাৰণে সেই বিষয়ত আগবাঢ়িব পৰা নাই আৰু আচলতে আমাৰ ৰাজ্যখনত ধান বা চাউলৰ উৎপাদনৰ ওপৰত বেছি গুৰুত্ব দিয়া হৈছে। কিন্তু ফল-মূল ইত্যাদি উৎপাদনৰ ক্ষেত্ৰত তেনেধৰণৰ জোৰ দিয়া নাই। হৰ্টি-কালচাৰৰ যিটো চাইদ আছে সেই বিষয় আমি বেছিকৈ মনোযোগ দিলে আমি খেতিয়কৰ অৱস্থাটো পৰিপূৰণ কৰিব পাৰি আৰু এই ফল মূল ইত্যাদি উৎপাদন কৰি তাক বাহিৰৰ বজাৰলৈ পঠাব পাৰিম। ১৯৫৬ চন মানতে পাঞ্জাবৰ লাল সিং বোলা এজন বিশেষজ্ঞই কৈছিল যে অসমৰ কল আৰু মাটিকঠাল ভাৰতবৰ্ষৰ আন ঠাইতকৈ বেছি ভাল হয়। তেনেধৰণৰ কেৱল জাভাতে হয়। কিন্তু এই খেতিৰ কাৰণে যোৱা ১৯৫৬ চনৰ পৰা ১৯৭৬ চনলৈকে এই কাল চোৱাৰ ভিতৰত এনেবোৰ খেতিৰ ওপৰত বিশেষ জোৰ দিয়া নাই। গতিকে মাটিকঠাল, কল ইত্যাদিৰ খেতি কৰিবলৈ আমি যদি প্ৰণালীবদ্ধভাৱে আগ-বাঢ়ো আৰু ক্ৰেচ মাজি তাত এই খেতি প্ৰণালীবদ্ধভাৱে কৰিবলৈ আৰম্ভ কৰিলে আমি তাক বাহিৰলৈ পঠোৱাৰ লগতে উপাৰ্জনৰ পথো বৃদ্ধি কৰিব পাৰিম। তাৰ পিচত আজি সাৰৰ প্ৰয়োগৰ ক্ষেত্ৰত কওঁ যে আমাৰ শতকৰা ৯০ ভাগ খেতিয়কেই এই সাৰ ভালকৈ প্ৰয়োগ কৰিব পৰা নাই মাত্ৰ ১০ ভাগহে পাৰিছে। সাৰৰ ক্ষেত্ৰত যিখিনি বৈজ্ঞানিক দিশ আছে সেইটো ভালকৈ উপলব্ধি কৰিব নোৱাৰাৰ কাৰণে এই সাৰ প্ৰয়োগ কৰাত অসুবিধা হৈছে। তাৰোপৰি বজাৰত ইয়াৰ যি মূল্য সেই মূল্য খেতিয়কে দিব নোৱাৰাৰ কাৰণে তেওঁলোকৰ এই সাৰ ব্যৱহাৰত বাধাৰ সৃষ্টি হৈছে। কিয়নো তেওঁ-লোকে খেতিকৰা খেতিখিনি পৰিয়ালটোক নুকুলায়। গতিকে এই দুখীয়া খেতিয়ক সকলক সাৰ প্ৰয়োগ কৰিবৰ কাৰণে যি পৰিমাণৰ সাৰ প্ৰয়োগ কৰিব লাগে সেই অনুযায়ী তাক কেনেকৈ ব্যৱহাৰ কৰিব লাগিব সেই বিষয়ে শিক্ষা দিয়াটো উচিত। গতিকে মই অনুৰোধ কৰিব বিচাৰিছো যাতে চৰকাৰে বিশেষকৈ কৃষি বিভাগে এটা ইনটেনচিভ প্ৰোগ্ৰেম লৈ খেতিয়ক সকলৰ মাজত এই বিষয়ে উদ্‌গনি আৰু কৃষি বিষয়ক কিছুমান শিক্ষা দান দিবৰ কাৰণে মবাইল ট্ৰেইনিংৰ

ব্যৱস্থা কৰিব লাগে। কিয়নো আজি বহু ক্ষেত্ৰত দেখা যায় খেতিয়ক সকলক সাৰৰ যোগান ধৰিলেও তেওঁলোকে ইয়াৰ ব্যৱহাৰ আৰু উপকাৰিতাৰ বিষয়ে সম্যক জ্ঞান নথকাৰ কাৰণে সেই সাৰ সহজে প্ৰয়োগ কৰাৰ কাৰণে আগবাঢ়ি নাহে আৰু সাৰৰ প্ৰয়োগ কৰিবলৈ ইচ্ছা নকৰে সেই কাৰণে এনেবিলাক মবাইল ট্ৰেইনিংৰ জৰীয়তে তেওঁলোকক সাৰৰ প্ৰয়োগ ইত্যাদিৰ বিষয়ে শিক্ষা দান কৰাৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, আজি দুবছৰ আগতে এই বিধান সভাতে এগ্ৰিকালচাৰ প্ৰডিচিং মাৰ্কেট বিল এখন উত্থাপন কৰিছিল আৰু সেই বিলত বৰ্ত্তমান আমাৰ কৃষি মন্ত্ৰীয়ে আগভাগ লৈছিল আৰু আমি এতিয়ালৈকে জানিব পৰা মতে মাত্ৰ চাৰিখন মৰাপাটৰ বজাৰহে চৰকাৰে নিয়মিত কৰিবলৈ লৈছে। অসমৰ বহুতো তেনে বজাৰ আছে তাৰ ভিতৰত তিনি বছৰত মাত্ৰ চাৰিখন বজাৰহে চৰকাৰে নিয়ন্ত্ৰিত কৰিবলৈ লৈছে গতিকে আটাইবোৰ বজাৰ নিয়মিত কৰিবলৈ বহুত বছৰ লাগিব বুলি অনুমান হয়। তাৰ বাহিৰেও অসমত বহুত ফচল আৰু শস্য উৎপন্ন হয় সেই বিলাকো বজাৰ বিলাকত প্ৰচুৰ পৰিমাণে বিক্ৰী হয় কিন্তু আটাইবিলাক বজাৰৰ নিয়ন্ত্ৰণ চৰকাৰৰ হাতত নথকা কাৰণে আচলতে যিসকল খেতিয়কে এই ফচল বিলাক উৎপাদন কৰে সেই সকলে তেওঁলোকে উৎপাদন কৰা ফচলৰ উচিত মূল্য নাপায়। আৰু ইয়াৰ দ্বাৰা দুখীয়া খেতিয়ক সকল বঞ্চিত হৈ আছে। ইয়াৰ উপৰিও আদা, হালধি, আলুক, পান-তামোল আদি আমাৰ অসমৰ দুখীয়া খেতিয়ক সকলে উৎপাদন কৰে আৰু সেই বিলাক বজাৰত প্ৰচুৰ পৰিমানে বিক্ৰী হয় কিন্তু বজাৰৰ নিয়ন্ত্ৰন চৰকাৰৰ হাত নথকাৰ কাৰণে আচলতে দুখীয়া খেতিয়ক সকলে উচিত মূল্য পোৱাৰ সুবিধা হোৱা নাই। বজাৰৰ গ্ৰাহক সকলেও উচিত মূল্য সেই উৎপাদনকাৰী খেতিয়ক সকলক দিয়া নাই। গতিকে মই আশা কৰো বজাৰৰ নিয়মিতকৰণৰ যোগেদি আমাৰ খেতিয়কৰ আৰ্থিক অৱস্থা উন্নত কৰাৰ কাৰণে চৰকাৰে চিন্তা কৰিব আৰু ইয়াৰ জৰিয়তে আমাৰ দেশৰ আৰ্থিক অৱস্থা উন্নত কৰাৰ লগে লগে আমাৰ অৰ্থ-নৈতিক দিশটোও উন্নত কৰিব। কিয়নো আমাৰ কৃষি হবলৈ হলে খেতিয়কৰ অৱস্থা ভাল হব লাগিব আৰু খেতিয়কৰ অৱস্থা ভাল হলে আমাৰ অসমৰ অৰ্থ নৈতিক অৱস্থা ভাল হব আৰু তেতিয়া আমাৰ

অসমৰ ৰাজকোষ ভাল হব গতিকে এই ক্ষেত্ৰত খেতিয়কৰ কাৰণে খেতিৰ কাৰণে কেইকোটিমান টকা খৰচ কৰিলেই গাড়ী ঘোৰা ৰাখিলেই আৰু ব্যাপক ভাৱে আঁচনি হাতত ললেই কৃষকৰ সমস্যা সমাধান হব নোৱাৰে তেনেকুৱা কৰিলে মই ভাবো আমাৰ চৰকাৰে কিবা এটা কৰি আছে বুলি কব পাৰিম কিন্তু সেই দিশত একো ফল পোৱা নাই আৰু সেই কাৰণেই কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰাৰ সময়ত এই বিলাক কথাৰ অৱতাৰণা কৰিবলৈ বাধ্য হৈছো।

ডঃ কোষেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, কৃষিৰ শিতানত যিটো কৰ্ত্তন প্ৰস্তাৱ দাঙি ধৰিছে সেই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি কবলৈ আগবাঢ়িছো। আমাৰ অসমখন এখন কৃষি প্ৰধান দেশ। ইয়াৰ সৰহখিনি মানুহেই খেতিয়ক আৰু খেতিৰ ওপৰত নিৰ্ভৰশীল। খেতি কৰিয়েই জীৱিকা নিৰ্ব্বাহ কৰে। সেই কাৰণে আমি খেতিৰ ওপৰত বেচিকৈ জোৰ দিয়া উচিত কিন্তু আমি দেখাত চৰকাৰে যি ধৰণে খেতিৰ ওপৰত জোৰ দিছে যেনে ধৰণে খেতিয়কৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিছিল ঠিক সেই ধৰণেৰে গুৰুত্ব আৰোপ কৰা হোৱা নাই। অৱশ্যে বাজেটত বা টকাৰ ক্ষেত্ৰত দেখা গৈছে যে এই সংক্ৰান্তত বহুত টকা খৰচ কৰা হৈছে যোৱা ত্ৰিশ বছৰ ধৰি। বিশেষকৈ যোৱা পাচ বছৰৰ ভিতৰত বহুত টকা খৰচ কৰা হৈছে বিশেষকৈ পানী যোগানৰ কাৰণে আৰু কৃষিৰ উৎপাদন বৃদ্ধি কৰিবৰ কাৰণে বহুত আঁচনি লোৱা হৈছে আৰু সেই আঁচনিসমূহত বহুতো টকা খৰচ কৰা হৈছে। মাননীয় সদস্য শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াই আগতে কৈছিল যে যোৱাবাৰ বানপানী আৰু কীটনাষক ঔষধৰ নামত বহুত টকা খৰচ কৰা হৈছে আৰু সেই টকা অপব্যয় কৰা হৈছে। ঠিক তেনেকৈ যদিও কৃষি আচনিত বহুত টকা খৰচ কৰিছে কিন্তু আচলতে খেতিয়কক সেই ভাৱে উপকৃত কৰিব পৰা নাই। আজি আমি দেখিছো যে খেতিৰ মাটি কমি আহিছে কিন্তু কথা হ'ল কম মাটিত কেনেকৈ খেতি কৰি চলিব পৰা যায় তাৰ কাৰণে আঁচনি লোৱা হৈছে। সেই অনুযায়ী ৰবিশস্য আঁচনিকে ধৰি বহুত ধৰণৰ আঁচনি খেতিয়কৰ মাজত প্ৰচলন কৰিবলৈ চেষ্টা কৰা হৈছে। অৱশ্যে দুই এটা সুফল পোৱাও হৈছে। বিশেষকৈ ৰবিশস্যৰ ক্ষেত্ৰত। বিশেষকৈ ঘেহু খেতি আগতে অসমত ইমান ব্যাপক ভাৱে কৰা হোৱা নাছিল। আমাৰ ধাৰণা আছিল যে কেৱল বিহাৰ আদিৰ দৰে ওখ ঠাইতহে ঘেহু খেতি হয়

কিন্তু অভাৱেই আবিষ্কাৰৰ মূল হল আৰু আমাৰ ইয়াতো ঘেহু খেতিৰ প্ৰচলন কৰা হল কিন্তু ফল ভালেই পোৱা হৈছে আৰু ইয়াৰ ফলত যোৱা তিনি বছৰত বহুত খেতিয়ক উপকৃত হৈছে। কিন্তু আচলতে যিমানখিনি টকা খৰচ কৰা হৈছে সেই ভাৱে খেতিয়কসকল উপকৃত হোৱা নাই। ঘেহূঁ বীজ আদি বিতৰণ কৰাৰ সময়ত আগৰ যিবিলাক পঞ্চায়ত আছিল তাত বহুত খেলিমেলি হৈছিল। সেইবোৰ এতিয়াও শেষ হোৱাই নাই। এইবোৰ জৰুৰীকালীন অৱস্থা প্ৰবৰ্ত্তন হৈ থকা সময়ত সেইবিলাক ভালকৈ চোৱা হব বুলি আশা কৰিলোঁ। কিয়নো সেই সময়ত যিসকল চৰকাৰী কৰ্ম্মচাৰীয়ে বীজ আদি বিতৰণ কৰিছিল সেই সকলে কমকৈ বীজ দি কাগজত বেছিকৈ লিখি ৰাখি খেতিয়ক সকলক নানা ধৰণে জুলুম কৰিছিল। উদাহৰণ স্বৰূপে কোনোবা খেতিয়কক এক কুইণ্টল ঘেহু দি কাগজত তিনি কুইণ্টল লিখি ৰাখিছে আৰু বিতৰণ কৰা কৰ্ম্মচাৰীয়ে দুই কুইণ্টল নিজে আত্মস্যাত কৰিছে। ইতিমধ্যে বোধকৰো চৰকাৰে সেই-বিলাকৰ সন্দেহ লবলৈ অনুসন্ধান কৰি আছে। বিশেষকৈ বিশ্বনাথ অঞ্চলত কৰ্ম্মচাৰী সকলে টিনৰ দ্বাৰা জুখি দিছিল এটা কেৰাচিনৰ টিনত তেৰ কেজি নে কিবা হয় সেই হিচাবে এক টিনৰ ঠাইত চাৰি পাচ টিন ধৰি সেই দুখীয়া খেতিয়ক সকলৰ ওপৰত অত্যাচাৰ কৰা হৈছিল। ইয়াৰ ফলত খেতিয়ক সকল উপকৃত নহৈ বেছি জুলুমতহে পৰা দেখা গৈছে। সেই ধৰণে জলসিঞ্চনলৰ নামত কোনো কোনো ঠাইত কিছুমান নলা খাণ্ডিছে ই এণ্ড-ডি বিভাগৰ জৰিয়তে আৰু সেই নলাৰ দ্বাৰা পানী যোগান ধৰিবলৈ সক্ষম নোহোৱা মাটিৰ মালিক সকলৰ পৰাও কৰ লোৱাৰ কাৰণে ব্যৱস্থা কৰিছে ফলত খেতিয়কসকল জুলুমত পৰিছে। এনেকুৱা উদাহৰণ বহুত আছে বিশেষকৈ দৰং জিলাত। সেই কাৰণে এই-বিলাক আঁচনিৰ জৰিয়তে দুখীয়া খেতিয়ক উপকৃত হব পৰা নাই। ৰবিশস্যৰ আঁচনিতো এনেধৰণৰ কিছুমান উদাহৰণ আছে।

এটা অসুবিধা হৈছে সংহ সংখ্যক খেতিয়কক চৰকাৰে সহায় কৰিম বুলি আশ্বাস দিছে বা দি আছে কিন্তু মুঠতে এই দুখীয়া খেতিয়ক সকলে এই আঁচনি বিলাকৰ পৰা বঞ্চিত হয় আৰু সকলোবোৰ সুবিধা আদায় কৰে ধনী খেতিয়ক সকলে। আমাৰ কোনোধৰণৰ বেংকৰ ধাৰেই দুখীয়া খেতিয়কে নাপায়। যোৱা বছৰ আমি নিজৰ অভিজ্ঞতাৰ পৰা দেখিছো। কাৰণ বেছিভাগ খেতিয়কৰে

মাটি একচনা আৰু তৌজি খাজনা দিয়া কিন্তু সেই মাটি বন্ধকত দিলে বেংকে ধাৰ নিদিয়ে। ফলত যিখিনি চৰকাৰী সাহায্য ৰাইজে তাক গ্ৰহণ কৰিব পৰা নাই। কিন্তু ধনী খেতিয়ক বিলাকে বেছি বুধিয়কও আৰু লগা পৰিমানে তেওঁলোকে বেংক বন্ধক দিব পাৰে গতিকে সহজে তেওঁলোকে সকলো সুবিধা আদায় কৰিব পাৰে। ফলত অধিক টকা পইচা খৰছ কৰা স্বত্বেও প্ৰকৃত দুখীয়া খেতিয়ক সকলৰ যি হাড়ক মাটি কৰি তেজক পানী কৰি আচলতে খেতি কৰে তেওঁলোকক সহায় কৰিব পৰা নাই, ফলত দুখীয়া খেতিয়ক সকল দিনক দিনে অৱনতিৰ ফালে যোৱা দেখা গৈছে। আজি দুখীয়া খেতিয়কৰ কাৰণে কুৰিদফীয়া আঁচনি কৰা হৈছে। কিন্তু আজিও মহাজনসকলে খেতিয়ক সকলক শোষণ কৰিয়ে আছে। দুখীয়া নজনা খেতিয়কৰ টকাৰ অভাব হলে আগৰ নিচিনা মহাজনৰ ওচৰ চাপে আৰু বুদ্ধিবাধা কৰি তেওঁলোকৰ মাটি বেছা দলীন কৰি তাৰ পাচত পকা দলীন কৰিম বুলি বুদ্ধি কৰি ঘৰৰ পৰা মাতি আনি সমুদায় মাটিৰ ৰেজিষ্ট্ৰেচন কৰা আমি দেখিছো। জৰুৰী অৱস্থাৰ সময়তো সেই প্ৰমান আমাৰ হাতত আছে। সিদিনা অলপতে নবেম্বৰ মাহত এজন দুখীয়া মানুহৰ ৭ বিঘা মাটি আছিল সেই গোটেই ৭ বিঘা মাটি ধনী মহাজন এজনৰ ওচৰত বন্ধক আছিল। এতিয়া জৰুৰী অৱস্থা পৰাত দলীন বদলাও বুলি অফিছলৈ মাতি আনি গোটেই মাটিখিনি খহাই ৰেজিষ্ট্ৰী কৰি লৈছে এই প্ৰমানো আমাৰ হাতত আছে। খেতিয়ক সকলৰ বাবে আমি বহুত চেষ্টা কৰিব পাৰো কিন্তু আমাৰ বিষয়া সকলে বা চৰকাৰে যদি এনেকুৱাবোৰ কথাত গুৰুত্ব নিদিও তাৰ পৰা খেতিয়ক সকল আৰু বেছি জুলুমত পৰা দেখা গৈছে।

অধ্যক্ষ মহোদয়, ১৯৫০ চনৰ ভূমিকম্পৰ পিচত অসমত বানপানী আদি কৰি প্ৰাকৃতিক দুৰ্য্যোগো খুব বেছি পৰিমানৰ হৈছে। ইয়াৰ আগতে অসমত বানপানীৰ প্ৰকোপ ইমান বেছি নাছিল। সেই উদ্যেশ্যে খেতিয়ক ৰাইজক ৰক্ষা কৰিবৰ কাৰণে ঠায়ে ঠায়ে মঠাউৰী দিয়া হৈছিল। এই মঠাউৰীবিলাকে বহুতৰ নানাধৰণে অনিষ্টসাধন কৰিছে বহুতৰ খেতি মাটি নষ্ট কৰিছে বহুতৰ খেতিপথাৰ নষ্ট হৈছে। এই মঠাউৰীৰ দ্বাৰা কিছু উপকৃত হৈছে আৰু কিছুমানৰ অনিষ্টও কৰিছে। ই এণ্ড দি বিভাগে যিবিলাক বান্ধ বা নলী আগতে দিছিল সেইবিলাকৰ দ্বাৰা ৰাইজৰ উপকাৰ নোহোৱা নহয়। গতিকে মই ভাবো কৃষি বিভাগ জলসিঞ্চন বিভাগ আৰু ফ্লাড কণ্ট্ৰোল বিভাগে বহি ক'ত মঠাউৰীৰ

দৰ্কাৰ ক'ত নাই, ক'ত নলাৰ দৰ্কাৰ আছে চইচিতি লৈহে কৰিব লাগে। নহলে এনেয়ে যধেমধে আঁচনি লৈ যে অমুকত ইমান টকা আহিছে গতিকে দৰ্কাৰ নহলেও তাত এটা মঠাউৰী অমুকত ইমান টকা আছে গতিকে দৰ্কাৰ নহলেও তাত নলা খাণ্ডি এনেয়ে পইছাৰ অপচয় কৰাৰ দৰ্কাৰ নাই। আজি বিষয়া সকলে ভাবি চিন্তি এইবিলাক কাম নকৰাৰ ফলতে খেতিয়ক সকল আৰু বেছি বিপদত পৰিছে। আজি আমি নিজে দেখিছো কাৰোবাৰ হয়তো এটা নলীনাদৰ দৰ্কাৰ নাই কিন্তু যিহেতু তেওঁৰ মাটিৰ কাষেদি গৈছে গতিকে তেওঁও কৰ দিব লাগে। ফলত আমাৰ খেতিয়কৰ আৰু বেছি জুলুমহে হৈছে।

অধ্যক্ষ মহোদয়, অসমত খেতিয়কৰ অৰ্থনৈতিক দিশৰ আন এটি দিশ হ'ল খেতিয়কৰ কাৰণে এখন চৰকাৰী বজাৰ। আমি দেখিছো যেতিয়া আমাৰ খেতিয়ক সকলৰ খেতি উঠে তেতিয়া বাইজৰ খেতিৰ বস্তুৰ দাম কমি যায় অথচ খেতিয়ক ৰাইজে কিনি খাবলগীয়া বস্তু সেইবিলাকৰ দাম সদায়ে বেছি। কিন্তু খেতিয়কে নিজ হাতে উৎপাদিত বস্তু বিলাকৰ দাম বজাৰত কম হোৱাৰ ফলত তেওঁলোকৰ হাড় ভাগি গৈছে। ফলত খেতিয়কৰ অৰ্থনৈতিকি উন্নতি কেতিয়াও হব নোৱাৰে। যোৱা কেইবছৰত আমি দেখিছো আমাৰ প্ৰত্যেকজন খেতিয়কৰে অৱস্থা দিনক দিনে বেয়াৰ ফালে ঢাল লৈছে। সেই কাৰণে আমি খেতিয়ক সকলক যি ধৰণে সহায় কৰিব লাগিছিল সেইধৰণে আঁচনিবিলাকত সহায় কৰিব পৰা নাই আৰু খেতিয়কসকলেও সহায় লব পৰা নাই। আমাৰ খেতিয়কৰ ধানৰ দাম মোনে ২৮-৩০ টকা হলে অন্য বস্তু যিবিলাক খেতিয়কে কিনি খাব লাগে যেনে দাইল তেল নিমখ ইত্যাদিৰ দাম কেতিয়াও নকমে। ফলত খেতিয়ক সকল ৰিণগ্ৰস্থ হৈ গৈছে আৰু মাটি বন্ধক দি দি মাটি শেষ কৰিছে।

গোটেই মানুহখিনি বিশেষকৈ চিডুউৰেল কাষ্টি, চিদিউৰেল ট্ৰাইব আৰু অন্যান্য পিচপৰা সম্প্ৰদায়ৰ বুৰঞ্জী যদি চোৱা যায় তেন্তে দেখা যায় অতীজতে তেওঁলোকৰ মাটি আছিল আৰু তাত খেতি-বাতি কৰি খাইছিল। কিন্তু অৰ্থনৈতিক দুৰবস্থাত পৰি বিক্ৰী কৰি কৰি শেষত তেওঁলোক মাটিহীন হৈ পৰিল। গতিকে এই খেতিয়ক সকলক ৰক্ষা কৰিবৰ কাৰণে চৰকাৰে বহুতো আঁচনি লৈছে, কিন্তু আঁচনি কৃতকাৰ্য্য হোৱা নাই। এই খেতিয়ক সকলক তেওঁলোকৰ অভাৱৰ সময়ত ঋণ দিব পাৰো আৰু খেতিৰ সময়ত খেতিৰ সজুলি যোগান

দিব পাৰো তালৈ লক্ষ্য ৰাখিব লাগে। অৱশ্যে এই ক্ষেত্ৰত চৰকাৰে খেতিয়কক অনেক প্ৰকাৰে সহায় কৰিবলৈ আগবাঢ়ি আহিছে কিন্তু কথা হল আমাৰ কিমান খেতিয়কে চৰকাৰে আগবঢ়োৱা এই সুযোগ লব পাৰিছে? সময় মতে তেওঁলোকে এই ঋণ নাপায় ফলত মহাজনৰ পৰা অধিক সুদত ধাৰে লব লগা হয়। এনেকি এমোন ধানৰ পৰিবৰ্ত্তে দোমোন ধান দিব লগা হয়। গতিকে খেতিয়ক সকলক ঠিক ভাবে ৰক্ষণা-বেক্ষণ দিবলৈ হলে তেওঁলোকক সময় মতে ঋণ দিয়া আৰু বেমাৰ-আজাৰ হলে সহায় কৰা, খেতিৰ সময়ত সজুলি আদি যোগান ধৰা ইত্যাদি কথাবোৰৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। খেতিৰ বাবে যি ট্ৰেক্টৰৰ ব্যৱস্থা আছে সি সকলো খেতিয়কৰ পক্ষে সম্ভৱ নহয়, গুৰুহালেই যাৰ একমাত্ৰ সম্বল তাৰ ব্যৱস্থা কৰি দিব লাগে, এনে ক্ষেত্ৰত অধিক খৰচ হওক তাত হানি নাই, ইয়াৰ দ্বাৰা খেতিয়ক ৰাইজ উপকৃত হব। এই কেইষাৰ কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো।

মিঃ স্পীকাৰঃ এইটো বিষয় আজিয়েই শেষ কৰা ভাল হব।

Shri Md Umaruddin (Minister) : Sir, they have raised a number of points. I will take atleast 20 minutes to give the reply.

Mr. Speaker : So the Minister will be given half an hour to give the reply.

Shri Giasuddin Ahmed : Mr. Speaker, Sir, I move the cut motion and in support of the cut motion. I would like to make a few observations. Sir, the strategy adopted for stepping up of agricultural production by the Govt. is quite appreciable and I think this strategy has rightly been adopted. This is-First to bring larger area of land under high yielding varieties of crops and to deminish the traditional varities. Number (2) the productivity should be increased through supply of better inputs, i. e. improved inputs such as improved seeds, fertilizers, pesticides etc., and also by providing irrigation facilities. Number (3) they have adopted the 3 crop cultivation pattern. Then again the cropping pattern should also be changed in the flood affected areas so that agriculture may

not be so much depended on the vagaries of nature. So far as this strategy is concerned, I think the Govt has adopted a correct strategy. But adoption of certain strategy Is one thing and implementation of this strategy is another thing. What is lacking is this that all these strategies have not been fully implemented.

(At this stage at 3-45 p.m. Mr. Speaker vacated and Shri Ataur Rahman, Chairman occupied the chair)

This high yielding varieties : much discussion has been made on this subject, i. e. high yielding varieties of crops. It is true that in this age with the ever increasing population if the yield per acre is not increased, it will be very difficult to feed the growing population. So more scientific methods will have to be applied. for increasing production and that can be possible if we can use high yielding varieties of seeds in every inch of the land. But unfortunately the practice and profession of the Govt. in this regard is different

Sir, this high yielding varieties target for 1976-77 has been fixed at 5,12,000 hectares and the budget provision made for this purpose is 90 lakhs plus this plan and planned provision has been made at 32,10.100 I just cannot understand how with this meagre provision 52.07,880 hectares of land could be brought under high yielding varieties of crops. So I would like to request the department to see how this two, this target and the budget provision can be reconciled Whether it will be feasible, whether it will be practicable to bring this area of land i. e. 52, 07 880 hectares of land under the high yielding variety with this budget provision.

(Interruption)

Yes, cut motion does not mean that the amount should be reduced. It may also mean that the amount should be increased

if required. This is the purpose. It is just to raise the discussion about the merits and demerits of the demand that the cut motion has been moved. But I would request the Hon'ble Minister to study it thoroughly whether this budget is sufficient to fulfill the target.

Then another point, that is correct statistics. Well, there is very good definition of statistics and I do not like to repeat it here. Times without numbers the word statistics has been defined but this definition of statistics is more applicable to agricultural statistics than anything else in this world. Actually one cannot make any head or tail of the agricultural statistics under different heads, targets, yield per hectare and all these things are very confusing. Govt. have published different figures at different times which do not tally with each other. Here the total production of foodgrains has been shown year-wise in the Statistical Hand Book, Assam, 1971. The figure is upto 1971. 1967 68 it was 18,36,000 tons; 1968-69 it was 20, 40,000 tons ; 1969-70, 18, 26,050 tons; 1970-71, 24,34,000 tons. This was the actual achievement as shown in the Statistical Handbook published by the Statistics Department of the Govt. of Assam. Now, here for the annual plan for 1976-77 the target has been fixed at 1,33,000 tons. So I could not just follow what this target means. In 1970-71 it was 24, 34,000 tons and the target for 1976-77 has fixed at 1,33,000 tons. Actually we do not know what has been done in the field of agricultnre, what actually our achievement is. The sgricultural statistics is a different subject ; it is not just counting of population like one, two, three. It is something different. It is very difficult to get a correct figure. I would like to request the Department to devise some means for collecting correct agricultural data; without correct agricultural data no planning can be successful. Everything will be a cry in the wilderness. We will be building a castle in the air if we do not have correct data at our disposal: So that is the second point. I would like to request the Minister

to look into it so that we have correct agricultural data to make a plan in a correct way for its proper implementation. All strategies which have been adopted by the Department depend on correct agricultural date and adequate provision in the budget and to bring about an upsurge among the cultivators, which is lacking. I say all these planning should be in vain if we fail to enthuse the people for a better agricultural method, for a better life, for a better standard of living. Sir, Govt. has been preparing plans during the last 29 years particularly for agricultural development. Our country is an agricultural country and without development of agriculture we cannot develop the country as a whole. So crores of rupees have been spent for development of agriculture in papers; but I am sorry to say that no grass root works have been done in this regard; by grass roots works I mean that this Department should go to the field itself, it should not keep itself confined in the agricultural offices in the Directorate of Agriculture or in the district Agriculture Offices' or at the Block offices. This Deptt. should go to the field along with the man behind the plough and they should plan in a massive way so that there could be an upsurge among the people; people must be roused, must be taught the new method of life, new method of production. Even now more than 80%, it will be 90% or so roughly speaking, who are using the same old primitive methods of cultivation, they do not know what is improved inputs, they do not bother about fertilisers, bother about irrigation, they do not know anything about thigh yielding varieties and even when some high yielding variety is supplied the general complain is that the seeds do not germinate. So people lost confidence in the Govt. The Agriculture Deptt. in order to be successful in their attempt must create confidence in the mind of the man behind the plough and for that purpose they must go to the field. So I would like to request the Minister in charge of AgricIture to consider all these matters and take proper steps. Then again, Sir, this organisation of the Agriculture Deptt ; I have heard the Agriculture Subdivisions are being reorganised, that is a very good proposal. I

would like to suggest that these agricultural subdivisions should be small areas. It should not be bigger than the area of a block and each block should be divided into certain sections or circles, preferably each present gaon panchayat should constitute one agricultural circle with a full fledged agricultural office ready with all sorts of agricultural inputs ready to help the cultivators at any moment and the officers should be better qualified, better paid also. They must be given better salaries. I would like to suggest that the officers and workers of the Agriculture Deptt. should get greater pay becaus they should move in the villages, from house to house to bring confidence in the minds of the cultivators, discuss with the cultivator his day to day problems, problems of land, his problems of seeds, his problem of cattle, his problems of irrigation ; he should be a friend, guide and philosopher and the service of agricultural officer should be dependent on his performance in the field. For better performance one should be promoted without any regard to his seniority or juniority, his scale of pay should also be enhanced. So, this matter should be taken up in all seriousness and I do believe the Agriculture Deptt. will leave no stone unturnced to implement this strategy for increased agrieultural development which will go a long way for all round development of the State as a whole.

শ্ৰীলক্ষীকান্ত শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবৰা ডাঙৰীয়াই উথাপন কৰা কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি মই কেইটামান পৰামৰ্শ চৰকাৰক দিব খুজিছোঁ। কৰ্ত্তন প্ৰস্তাৱটো উথাপন কৰি মাননীয় সদস্য শ্ৰীবৰা ডাঙৰীয়াই এই বিভাগৰ সমূদায় ফাইল পুৰি তাৰ পৰা যিটো সাৰ ওলাব সেই সাৰেৰে সৰু পথাৰত বৰ খেতি কৰাৰ ইচ্ছা প্ৰকাশ কৰিছে।

শ্ৰীসোনেশ্বৰ বৰা ঃ মাননীয় সদস্যজনে কথাটো বুজি লোৱা হলে ভাল আছিল। মই কৈছিলো যে,……

শ্ৰীলক্ষীকান্ত শইকীয়া ঃ সন্মানিত সদস্য জন বহিলে মই বাখ্যা কৰি কথাটো বুজাই দিব পাৰিম।

শ্ৰীসোনেশ্বৰ বৰা : মই সেইটো কোৱা নাই।

*শ্ৰীলক্ষীকান্ত শইকীয়া : মই তাৰ ব্যাখ্যা দিছোঁ। কৃষি বিভাগৰ সকলো বিলাক ফাইল পুৰি তাৰ পৰা যিটো সাৰ ওলাব তাৰে সৈতে সৰু পথাৰত বৰ খেতি কৰিব খুজিছো কিন্তু এই বিভাগত তাতকৈ উৎকৃষ্ট সাৰ আমাৰ আছে। মাননীয় সদস্য ডাঃ কোমেশ্বৰ বৰা ডাঙৰীয়াই আমাৰ কৃষি বিভাগে লোৱা আঁচনি সম্পৰ্কে কৃতকাৰ্য্যতা লাভ কৰিছে বুলি স্বীকাৰ কৰি দিয়া মন্তব্যৰ কাৰণে বেছ আনন্দই পাইছোঁ। মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন আহমেদ ডাঙৰীয়াই ৫ বছৰীয়া পৰিকল্পাৰ শিতানত যি লক্ষ্য বান্ধি লোৱা হৈছে সেইটো থিকমতেই লোৱা হৈছে বুলি প্ৰশংসা কৰিছে আৰু সেই কেইটাৰ কাৰ্য্যকাৰিতাত দেখা দিব পৰা কেইটামান ঘটনা সম্পৰ্কেও আশংকা প্ৰকাশ কৰিছে। মাননীয় সদস্য শ্ৰীআহমেদ ডাঙৰীয়াই যিটোৰ সম্পৰ্কত আশংকা প্ৰকাশ কৰিছে মই সেইটোত সোমাব খোজা নাই। সেইটোৰ ব্যাখ্যা নিশ্চয় বিভাগীয় মন্ত্ৰীয়ে দাঙি ধৰিব। মই মাত্ৰ এই কথাটোহে পতিয়ন নিয়াব খুজিছোঁ যে, পৰিকল্পনাৰ উদ্দেশ্য হিচাবে যি কেইটা উদ্দেশ্য আগত ৰাখিছিল সেই লক্ষত আমি সঁচাকৈয়ে উপনীত হব পাৰিছোনে নাই সেইটো পৰ্য্যালোচনা কৰি চোৱা উচিত। অৱশ্যে মাননীয় সদস্য শ্ৰীবৰা ডাঙৰীয়াই কোৱাৰ নিছি-নাকৈ পৰ্য্যালোচনা কৰা মানেই সমালোচনা কৰা নহয় আৰু পৰামৰ্শ আগবঢ়োৱা মানেই কৰ্ত্তন প্ৰস্তাৱো সমৰ্থন কৰা কেতিয়াও নহয়। মই আগতেও কৈছো যে, প্ৰসঙ্গত যদি কিবা বিতৰ্ক হয় তেতিয়া হলে, তাৰ আৱশ্যকীয় উত্তৰ মাননীয় মন্ত্ৰী মহোদয়ে দিব। কিন্তু এইটো কথা নিশ্চয়কৈ কব পাৰি যে, অধিক শস্য উৎপাদনৰ ক্ষেত্ৰত নথি-পত্ৰৰে সৈতে যি তথ্য দাঙি ধৰিছে তাৰ দ্বাৰা এইটোৰেই প্ৰমাণিত হয় যে, চৰকাৰে এইক্ষেত্ৰত লোৱা আঁচনিৰ অভিলেখ ৰচনা কৰিবলৈ এই কৃষি বিভাগ সক্ষম হৈছে। তাৰ কাৰণে এই বিভাগক অভিনন্দন জনাইছোঁ। এইখিনিতে এটা কথা সমালোচনা কৰা হৈছে যে, যিহেতুকে যোৱা বছৰ বতৰ ভাল আছিল সেই কাৰণেই এইটো সম্ভৱপৰ হৈছে। বানপানীও হোৱা নাছিল। কিন্তু সভাপতি মহোদয়, এই কথাটোও

★ Speech not corrected

আমি নিশ্চয় স্বীকাৰ কৰি লব লাগিব যে, অকল বতৰ ভাল হলেই নহব। ইয়াৰ আগতেও বহুত বাৰ বতৰ ভাল হৈছিল কিন্তু সেই সময়তটো এনেকুৱা ভাল খেতি কেতিয়াও হোৱা নাছিল। ইয়াৰ আচল কথা হৈছে এই আমাৰ অধিক শস্য উৎপাদনৰ ক্ষেত্ৰত আমাৰ ৰাইজৰ যিটো আগ্ৰহ বাঢ়িছে তাৰ লগত কৃষি বিভাগৰ সমন্বয়ৰ কাৰণেই এইটো সম্ভৱপৰ হৈছে। উৎপাদন বাঢ়িছে। এইটো আমি নিশ্চয় স্বীকাৰ কৰি লব লাগিব। আজি অধিক শস্য উৎপাদনৰ ক্ষেত্ৰত চৰকাৰৰ এই বিভাগটোৱে যি প্ৰচাৰকাৰ্য্য চলাইছে সেই প্ৰচাৰৰ দ্বাৰা আমাৰ ৰাইজে এইটো গ্ৰহণ কৰিবলৈ আগ্ৰহী হৈছে আৰু এই খেতি কৰিবলৈ আগবাঢ়ি আহিছে। অৱশ্যে ৰাইজে যি পৰিমাণে সাৰ, বীজ আদি যোগান্ বিচাৰিছিল সেই পৰিমাণে এইবিলাক সকলো জেগাতেই যোগান দিব পৰা নাই যদিও অধিকাংশ জেগাতেই এই বিলাক দিয়া হৈছে। তাৰ লগতে বহুতো কথাও আছে। নিগমৰ দায়িত্বৰ কথাও আছে ইত্যাদি। সেইকাৰণেই যে ৰাইজে এইবিলাক গ্ৰহণ কৰা নাই সেইটো নহয়। গ্ৰহণ কৰিছে। বিভাগীয় তৎপৰতাৰ কাৰণেই এইটো হবলৈ সক্ষম হৈছে। তাৰোপৰি আধুনিক প্ৰণালীৰে খেতি কৰিবৰ কাৰণে এই বিভাগৰ ফালৰ পৰা যিবোৰ আঁচনি লোৱা হৈছে সেই বিলাকো ৰাইজে গ্ৰহণ কৰিছে। কোনো খেতিয়কে আজি কীট-পতঙ্গনাসক ঔষধ নচটিওৱাকৈ বা সাৰ আদি প্ৰয়োগ নকৰাকৈ খেতি কৰিবলৈ আগবাঢ়ি নেযায়। অৱশ্যে ৰাইজে বিচৰা মতেহে দিব পৰা নাই। গতিকে এই সকলো বিলাকেই এইবিভাগৰ তৎপৰতাৰ কাৰণেই হৈছে বুলি কব লাগিব। আৰু এটা কথা যে, জনসংখ্যাৰ দ্ৰুত বৃদ্ধি হোৱাৰ লগে লগে তাৰ লগত খাপ খোৱাব পৰাকৈ আগৰ নিচিনাকৈ খেতি কৰিলে নহব। একেদৰা মাটিতে যাতে বছৰত দুই তিনিটা খেতি কৰিব পাৰি তাৰ ব্যৱস্থা কৰিব লাগিব। তাৰ কাৰণেও চৰকাৰে আঁচনি প্ৰস্তুত কৰিছে আৰু সেই মতেই গোটেই ৰাজ্যখনৰ সকলো জেগাতে নহলেও অধিকাংশ জেগাতেই অন্ততঃ দুটা খেতি কৰিবৰ কাৰণে হলেও মানুহ আগবাঢ়ি আহিছে। বানপ্ৰপীড়িত অঞ্চল সমূহত যত সাধাৰণতে বাৰিষা কালত বানপানীৰ ভয়ত খেতি কৰা নহয় তাতো এতিয়া সকলো বিলাক সুবিধা দি খৰালি খেতি (ৰবিশস্য) কৰাৰ দিহা কৰিছে। এইক্ষেত্ৰটো আংশিক ভাৱে আমাৰ চৰকাৰ কৃতকাৰ্য্য হৈছে। মই ইয়াৰ আগতেও কৈছোয়েই যে, বিৰোধী দলৰ সদস্য সকলেও এইটো

স্বীকাৰ কৰি আহিছোঁ। ১৯৭২ চনত যেতিয়া ৰবিশস্য আৰম্ভ কৰিবৰ কাৰণে ব্যৱস্থা কৰা হৈছিল সেই সময়ত এই সদনতে ৰবিশস্যৰ প্ৰতি উপলুঙা কৰা কথাটো নিশ্চয় নথিপত্ৰত ওলাব। ৰবিশস্যক উপলুঙা কৰিছিল, গম-ঘেহু আদি খেতি কৰাত সন্দেহ প্ৰকাশ কৰিছিল। কিন্তু আজি এই সকলো বিলাকতে আমাৰ ৰাইজে গ্ৰহণ কৰি সফলতাৰে আগবাঢ়িছে। বিভাগীয় প্ৰচেষ্টাৰ কাৰণেই এইটো হবলৈ পাইছে। কিয়নো আমাৰ কাৰণে এইবিলাক কেতিয়াও নজনা নুশুনা খেতি আছিল। এইখিনি উৎপাদন কৰাত যিখিনি এই বিভাগটোৱে কৰিছে সেইখিনি নিতান্তই বেছ প্ৰশংসনীয় কাম। যিবিলাক বান বিধস্ত অঞ্চলত কোনো খেতিৰ কথাকেই আশা কৰিব পৰা নাছিল সেইবিলাক অঞ্চ-লতো এইবিলাক খেতি কৰি আজি তাৰ মানুহ বিলাক লাভজনক হৈছে। উদাহৰণ স্বৰূপে যোৱা বছৰৰ পৰিপ্ৰেক্ষিতত ধুবুৰী আৰু বৰপেটা মহকুমাৰ কথাকে আঙলিয়াব পাৰি।

মাননীয় অধ্যক্ষ মহোদয়, মই কেইটামান পৰামৰ্শ দিব বিচাৰিছোঁ এই ক্ষেত্ৰত এই কাৰণেই যে আজি আমাৰ কৃষি বিভাগে যিমানখিনি কাম কৰিছে সেই হিচাবে যথেষ্টই কৰিছে কিন্তু এতিয়াও বহুত কাম কৰিবলৈ বাকী আছে। সেইটো কথা সঁচা। আজি সম্প্ৰসাৰণ সেৱা বৃদ্ধি কৰাৰ কাৰণে যি ধৰণে গুৰুত্ব দিব লাগিছিল সেই হিচাবে কাম হৈছে যদিও আৰু হব লাগে। ৰাইজক, আমাৰ খেতিয়ক ৰাইজক খেতিৰ আহিলা-পাতি সাৰৰ প্ৰয়োগ আৰু ধনৰ প্ৰয়োগ ইত্যাদি বিষয়লৈ শিক্ষা দিয়াৰ কাৰণে চেষ্টা কৰিব লগীয়া হৈছে কিন্তু এই বিষয়ত আমি যিমান দূৰ আগবাঢ়িব লাগিছিল সিমান দূৰ আগ-বাঢ়িব পৰা নাই, এই বিষয়ত আমি কিছু পিছপৰি আছো। ইতিমধ্যে আমাৰ যিটো কৃষি বিশ্ববিদ্যালয় আছে তাত এই কৃষি বিষয় ইত্যাদিৰ বিভিন্ন ধৰণৰ গৱে-ষণা ইত্যাদি চলি আছে যদিও তাৰ পৰা কৃষক সকলে আৰু সুবিধা পাব পৰাকৈ আৰু অধিক গৱেষণা মূলক কাম হব লাগে যাৰ দ্বাৰা আমাৰ খেতিয়ক সকলে সাৰ প্ৰয়োগ আৰু খেতিৰ সা-সজুলী ইত্যাদি ব্যৱহাৰ কৰাৰ কাৰণে ওচৰতে সুবিধা পায় আৰু তাৰ জৰিয়তে উপকৃত হয়। আচল কথা হল এই গৱেষণাৰ কথাবিলাক যাতে কাৰ্য্যত লগাব পাৰি তালৈ দৃষ্টি নিক্ষেপ কৰিব লাগে। আজি আমি কৃষিৰ ক্ষেত্ৰত স্বাৱলম্বী হব পাৰিলেহে আমি

ৰাজ্যখনৰ বিভিন্ন উন্নয়নমূলক কামত আগবাঢ়িব পাৰিম। আমাৰ আজি যিটো শিক্ষিত সমাজ আছে তেওঁলোকে যদি কেৱল চৰকাৰী চাকৰিটোকে কৰিব বিচাৰে তেতিয়াহলে আমাৰ এই বিৰাট জনসংখ্যাৰ কোনে খেতি বাতি কৰিব, তাৰোপৰি যদি সকলোয়ে কেৱল চাকৰিকেই বিচাৰে ইমান চাকৰি কৰ পৰা ওলাব ? গতিকে আমাৰ এই খেতিয়ক ৰাইজক এনেভাৱে শিক্ষিত কৰিব লাগিব যাতে তেওঁলোকে কোনো ধৰণৰ অপমান বোধ নকৰাকৈ খেতি কাৰ্যাত অহ-নিশে লাগিব পাৰে আৰু খেতি কৰিবলৈ যাতে অলপো সংকোচ নকৰে তাৰ এটা ভাল ব্যৱস্থা কৰিব লাগে। তেনেবোৰ কাম কৰিবলৈ যাওঁতে বৈজ্ঞানিক পদ্ধতিৰ লগতে আন আন কিছুমান সুবিধা যেনে ট্ৰেক্টৰ ইত্যাদিৰ সুবিধা দিয়াৰ কাৰণে কিছুমান কমিটি গঠন কৰা হৈছে, কিন্তু এইটো চাবলগীয়া যে এই ট্ৰেক্টৰ ইত্যাদি যাতে খেতিয়ক সকলে সহজে পাব পাৰে তাৰ কাৰণে চাব লাগে। এই সদনতে ইয়াৰ আগতে এটা আলোচনা হৈছিল যে প্ৰত্যেক খণ্ড উন্নয়ন পৰ্য্যায়ত এটা সেৱা উন্নয়ন কেন্দ্ৰ কিছুমান গঠন কৰিব লাগে, এই সেৱা কেন্দ্ৰৰ জৰিয়তে আমাৰ খেতিয়ক সকলক যিখিনি আৱশ্য-কীয় বস্তু যোগান ধৰিব লাগে, খেতি কৰাৰ কাৰণে যিখিনি আহিলা-পাতি দৰকাৰ সেইখিনি যাতে খেতিয়ক সকলে মহকুমা পৰ্য্যায়তে পাব পাৰে আৰু অধিক খৰচান্ত হৈ সদৰ বা ৰাজধানীলৈ আহিব নালাগে ইত্যাদি এই সেৱা কেন্দ্ৰই চকু দিব। ইয়াৰ দ্বাৰা বিভিন্ন সেৱা কেন্দ্ৰ স্থাপন কৰি তাত যাতে নিবনুৱা ডেকা বন্ধু সকলক নিয়োগ কৰিব পাৰি আৰু খেতিয়ক সকলক যাৱতীয় সুবিধাখিনি সহজতে দিব পাৰি তালৈ চকু দিব লাগে। আজি মন-কৰিবলগীয়া যে আমাৰ আগতে খেতিয়ক সকলে কোনো কালে টকা ধাৰ লৈ খেতি কৰা শুনা নাছিলো কিন্তু এতিয়া যিহেতু বেংক আৰু আন আন অনুষ্ঠান বিলাকে আৰ্থিক সাহাৰ্য্য আগবঢ়াইছে তেনে ক্ষেত্ৰত আমাৰ খেতিয়ক সকলে টকা ধাৰ লৈ খেতি কৰিবলৈ আগবাঢ়ি আহিছে। গতিকে এই অৱস্থাত আমাৰ যিবিলাক সমবায় সমিতি আছে আৰু বেংক আছে সেই বিলাক অনুষ্ঠানৰ জৰীয়তে খেতিয়ক ৰাইজক সকলো ধৰণৰ সহায় সহযোগ আগবঢ়াই উৎপাদন বৃদ্ধি কৰাত কৃষি বিভাগেই নেতৃত্ব দিব লাগিব আৰু কৃষি বিভাগেই চাব লাগিব। আজি প্ৰশ্নোত্তৰ কালত কৃষি মন্ত্ৰী ডাঙৰীয়াই এটা কথা

কোৰাৰ কাৰণে ভাল পাইছোঁ যে আজি আমাৰ ৰাজ্যখনত ফল-মূলৰ খেতি কি ধৰণে লব পাৰি এইটো কথা দহকৈ চাবলগীয়া হৈছে। আমাৰ ইয়াৰ বাহিৰেও ২ খন জিলা আছে তাত এনেকুৱা মাটি আছে যে তাত ফলমূলৰ বাহিৰে অইন খেতি নহয় আৰু সেইদৰে ব্ৰহ্মপুত্ৰ উপত্যকাৰো বহু অঞ্চলত তেনেধৰণৰ মাটি আছে তাত ফলমূলৰ বাহিৰে অইন খেতি নহয়, সেই অঞ্চল বিলাকত দুগুন উৎসাহৰে ফলমূলৰ খেতি কৰি কৃষি বিভাগে বিস্তৃত ভাবে ৰাজ্যখনৰ উৎপাদন বৃদ্ধি কৰিবৰ কাৰণে ব্যৱস্থা লবলৈ মই মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰি সামৰণি মাৰিলো।

শ্ৰীনুৰুল ইচলাম ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি কৃষিৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ আহিছে তাৰ বিৰোধীতা কৰি মই দুটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছো। আজি কৃষিৰ ক্ষেত্ৰত আমি যদি একেবাৰে উন্নতি কৰা নাই বুলি কওঁ তেতিয়াহলে ভূল হব। আৰু তেনেদৰে যদি কওঁ তেতিয়াহলে চৰকাৰক ডাঙৰ অন্যায় আৰু অবিচাৰ কৰা হব। মাননীয় সদস্য শইকীয়া ডাঙৰীয়াই কৈছে কৃষিৰ ক্ষেত্ৰত বহু খিনি আগবাঢ়িছে। সেইটো সচা কথা। কিন্তু যিমান খিনি আশা আকাঙ্খা আছিল সিমানখিনি সম্পূৰ্ণভাৱে পূৰণ কৰিব পৰা নাই। তাৰ কাৰণে এই কৃষি বিভাগটো প্ৰশাসনীয় যন্ত্ৰটো এতিয়াও অৱহেলিত হৈ আছে। ইদানীং চৰকাৰে গুৰুত্ব দিছে। আমাৰ ৰাজ্য খনৰ কৃষি আৰু সামাজিক অৰ্থ নৈতিক উন্নয়ন সাধিবলৈ হলে কৃষিৰ উন্নতি কৰিবই লাগিব। বৰ্ত্তমান আমি যি বিলাক পদ্ধতি লৈছো সেই বিলাক আৰু আগতেই লোৱা উচিত আছিল। আমাৰ গোটেই অসমত এটা বিৰাট এলেকা প্ৰায় ২৩ লাখ হেক্টৰ মাটিত ধানৰ খেতিৰ কাৰণে উপযুক্ত এই ২৩ লাখ হেক্টৰৰ ভিতৰত পাচ ভাগৰ এক অংশত বানপানীৰ প্ৰকোপ নাই, এই খিনি এলেকাত আমি অতি সোনকালে আৰু অনতিপলমে অধিক উৎপাদনশীল কাম কৰাটো প্ৰয়োজন। আইন কৰি হলেও ত্ৰিপুল ক্ৰপ কৰিব লাগিব। আমাৰ অসমৰ ৰাইজ অলপতে সন্তুষ্ট থাকে, তেওঁলোকৰ বহু সময়ত ন মাহ সময় খেতি নোহোৱাকৈ পৰি থাকে। গতিকে ১ মাহ সময়ো যাতে পৰি থাকিব নোৱাৰে তেনে ধৰণে এটা আইন লেজিচলেচনত কৰিব লাগে। আমাৰ মানুহ বিলাক অতি এলেহুৱা। ওচৰতে থকা নদী খনৰ পৰাও অলপ পানী যোগাৰ কৰি লব নোৱাৰে। মাননীয় সদস্য

ডাঙৰীয়াই কোৱাৰ দৰে আমাৰ মানুহ বিলাকক পানী এবাল্টিও আনি দিব লাগে। আকৌ বৰষুণৰ দিনত পানী হলে তেওঁলোক বানপানী হোৱা বুলি আৰু খৰালী পানী শুকাইছে বুলি হাত সাৰতি বহি থাকে। গতিকে প্ৰণালী-বদ্ধ ভাৱে আৰু পদ্ধতিমূলক ভাৱে যদি আমি কৃষি কাৰ্য্যত আগনাবাঢ়ো তেতিয়াহলে আমাৰ অধিক উৎপাদন হোৱাৰ সম্ভাৱনা কম। আজি ভাৰতবৰ্ষৰ উত্তৰ প্ৰদেশ বিহাৰ উৰিষ্যা ইত্যাদি ৰাজ্যত বৰষুণৰ সময়ত যেতিয়া অধিক পানী হয় সেইবিলাক ৰিজাৰ্ভ কৰি ৰাখে আৰু খৰালীৰ সময়ত খেতিত তাৰ পানী যোগান ধৰে। গতিকে আমাৰ ইয়াতো গড়কাপ্তানী আৰু ই এণ্ড ডি বিভাগ আৰু কৃষি বিভাগে যদি একেলগে এই কামত হাত দিয়ে বানপানীৰ প্ৰকোপ নিশ্চয় কমিব। আৰু তেতিয়াই কৃষিৰ উন্নতিৰ কাৰণে আমি চিন্তা কৰিব পাৰিম। যদি আজি আমি কৃষক সকলৰ মাজত ইণ্টেনচিভ প্ৰগ্ৰেম আৰু বৈজ্ঞানিক পদ্ধতিৰ বিষয়ে যথেষ্ট উৎসাহ যোগাব নোৱাৰো তেতিয়াহলে আমি কৃষি কাৰ্য্যত কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰিম। সেই কাৰণে আজি কৃষকৰ মাজত মবাইল ট্ৰেইনিং দিয়াৰ ব্যৱস্থা কৰিব লাগিব। আৰু বৈজ্ঞানিক পদ্ধতিৰে কৃষি কাৰ্য্যত লগাব পাৰো। আৰু সাৰৰ প্ৰয়োগৰ বিষয়ে বুজাব পাৰো তেতিয়াহলে আমি নিশ্চয় অধিক উৎপাদনৰ কামত আগবাঢ়ি যাব পাৰিম।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ মাননীয় সদস্য শ্ৰীনগেন বৰুৱা ডাঙৰীয়াই আৰু আন সকলেও ঠিক তেনেদৰেই কৈ থাকে যে কংগ্ৰেছী সাৰ ব্যৱহাৰ কৰিলে সৰ্ব্বনাশ হব।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, সেই কাৰণে মই এটা কথা কব বিচাৰিছো যে আমাৰ নিৰক্ষৰ খেতিয়ক সকলৰ ট্ৰেইনিঙৰ প্ৰয়োজন আছে আৰু সেই ট্ৰেইনিং প্ৰগ্ৰেমৰ কাৰণে অতি সোনকালে ব্যৱস্থা হাতত লবলৈ মই কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, আন এটা কথা মই কব বিচাৰিছো যে আজি বীজৰ কথা কোৱা হৈছে, সাৰৰ কথা কোৱা হৈছে কিন্তু এই বীজ সাৰ আদি সোনকালে যাতে খেতিয়কৰ ওচৰ পাব পাৰে তাৰ ব্যৱস্থাহে কৰিব লাগে। ইয়াৰ কাৰণে কৃষি বিভাগে ব্যৱস্থা হাতত লব লাগে। সেই বিষয়ে মই পৰামৰ্শ দাঙি ধৰিব খুজিছো যে যিবোৰ গাওঁলীয়া কো-অপাৰেটিভ চোচাইটি

আছে সেই বিলাকত এগ্রো চার্ভিচ চেণ্টাৰ একোটা থকাৰ কাৰণে কম্পালচৰি কৰি দিব লাগে যাতে প্ৰত্যেক গাওঁ সভাতে অন্ততঃ এখনকৈ থাকে আৰু সাৰ আৰু বীজৰ এজেন্সি লব পাৰে। তৃতীয় নম্বৰ কথা হৈছে আমাৰ মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন আহমেদ ডাঙৰীয়াই এটা প্ৰশ্ন তুলিছিল যে এড মিনিষ্ট্ৰেচন ৰিফৰ্ম কৰিব লাগে। প্ৰশাসনীয় পূনৰ গঠন নকৰিলে আজি আমাৰ কৃষি প্ৰধান দেশৰ যদি কৃষি উন্নতি কৰিব লাগে তেনেহলে বাইশ লাখ জন সংখ্যাৰ মাজত এজন মাত্ৰ জিলা কৃষি বিষয়া থাকিলে নহব। পোন্ধৰ লাখ মানুহৰ কাৰণে এজন মাত্ৰ কৃষি বিষয়াই ব্যক্তিগতভাৱে সকলো বিলাক খেতিয়কক লগ ধৰি কৃষিৰ বিষয়ত উপদেশ আদি দিয়াতো কেতিয়াও সম্ভৱপৰ হব নোৱাৰে। প্ৰত্যেক গাওঁলৈ গৈ উপদেশ দিয়াটোও সম্ভৱপৰ নহব। একোটা মহকুমাত একোজনকৈ কৃষি এচ ডি অ' আছে কিন্তু এজন মাত্ৰ কৃষি বিষয়াই কেতিয়াও সাত আঠ লাখ মানুহক দেখা-শুনা কৰি উপদেশ দিব নোৱাৰে। একোটা সমষ্টিত একোজনকৈ এক্সটেনচন অফিচাৰ আছে যদিও জনসংখ্যা অনুপাতে একোটা সমষ্টিৰ এক লাখ বা আধালাখ মানুহক লগ ধৰি কৃষি বিষয়ক উপদেশ দিয়াটো কেতিয়াও সম্ভৱপৰ নহয়। গতিকে প্ৰশাসনীয় পূনৰ গঠন কৰিব লাগে। আমাৰ দক্ষিণ পাৰে দুটা সমষ্টি আছে মানকাচাৰ আৰু দক্ষিণ শালমাৰা। মই সিদিনাও বিৱৰণ দিছিলো। তাৰ মাটি, মাটিৰ উৰ্ব্বৰতা, খেতিয়কৰ কৰ্ম্মকুশলতা আৰু খেতি কৰিবৰ কাৰণে উৎসাহ আদি সকলো কথা বিৱৰণ দিছিলো। ব্ৰহ্মপুত্ৰ নদ, থকাতো তেওঁলোকে কেনে ধৰণে খেতি উন্নত কৰিব লাগে সেই বিষয়ে ইচ্ছা থকা সত্বেও কোনো ট্ৰেইনিং আদি লব পৰা নাই।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি কৃষিৰ কাৰণে ইমান বিলাক বিভাগ জড়িত আছে যে প্ৰত্যেকটো বিভাগৰ মাজত সমন্বয় নথকাৰ কাৰণেই আচলতে খেতিয়কে অসুবিধা ভোগ কৰিবলগীয়া হয়। এচ এফ ডি আৰু কৃষি বিভাগ আৰু বেংকৰ মাজত কোনো কো-অৰডিনেশ্যন নাই। সেই কাৰণেই খেতিৰ উন্নতি কৰিব পৰা নাই। মাননীয় সদস্য শ্ৰীলক্ষ্মীকান্ত শইকীয়া ডাঙৰীয়াই কৈছে যে আমাৰ খেতিয়কৰ যিটো অৰ্থ-নৈতিক দুৰৱস্থা সেইটো কেৱল ঋণ ব্যৱস্থাৰে টনকিয়াল কৰিব নোৱাৰি। ইয়াৰ কাৰণে কৃষি মাধ্যমৰ ঋণৰ প্ৰয়োজন আছে। যাতে এচ এফ ডি, কৃষি বিভাগ, জলসিঞ্চন বিভাগ এই আটাই

কেইটা বিভাগেই কো-অৰডিনেশ্যান ৰাখি কাম কৰে আৰু খেতিয়কে যাতে কোনো অসুবিধা নাপায় তালৈ লক্ষ্য ৰাখিব লাগিব।

শেষত মই কব বিচাৰিছো যে মোৰ কেইখনমান চীড ফাৰ্ম চোৱাৰ সৌভাগ্য ঘটিছিল। মই মন্ত্ৰী মহোদয়কো এই চীড ফাৰ্ম পৰিদৰ্শন কৰিবলৈ অনুৰোধ জনাও কিয়নো আমাৰ চীড ফাৰ্ম বিলাক একোখন আদৰ্শ চীড ফাৰ্ম হোৱা দৰকাৰ। কিন্তু মই দেখিলো যে তাত বিজ্ঞান সন্মত পদ্ধতিৰে কৃষি কৰিবৰ কোনো ব্যৱস্থা নাই, চীড ফাৰ্মৰ ভিতৰত পানী যোগানৰ কোনো ব্যৱস্থা নাই, ইলেক্ট্ৰিচিটি নাই, আনকি তাত এখন ট্ৰেক্টৰো নাই। যদি চৰকাৰে মেনেজ কৰা চীড ফাৰ্মৰ অৱস্থা এনেকুৱাই হয় তেতিয়াহলে আমি ৰাইজক বা খেতিয়কক কি আদৰ্শ দেখুৱাব পাৰিম। যদি ইমান দুৰৱস্থা হয় ৰাইজক আমি কি দিম।

অধ্যক্ষ ডাঙৰীয়া, আৰু এটা কথা কৈ মোৰ বক্তব্যৰ শেষ কৰিব খুজিছো। মোৰ সময়ো শেষ হল। আজি যিবিলাক জিলাত মৰাপাট বেছিকৈ উৎপন্ন হয় সেইবোৰ ঠাইত মৰাপাটৰ একোটা ৰিচাৰ্চ ইণ্ডাষ্ট্ৰি আৰম্ভ কৰিব লাগে বুলি মই ভাবো। আৰু এইটো কথা অতি দৰকাৰ। এই বিষয়ে মই পৰামৰ্শ দাঙি ধৰিব খুজিছো যে মই ইয়াৰ আগতে কেইবাবাৰো কৈছো, নাজানো চৰকাৰে বুজি পায় নে নাপায় কিন্তু এইটো ঠিক যে যদি কৃষিৰ উন্নতি কৰিব খোজা হয় তেতিয়াহলে কৃষিৰ ওপৰত জনসাধাৰণৰ যিটো প্ৰেচাৰ এইটো যদি কমাই অনা হয় তেতিয়াহলে কৃষিৰ উন্নতি কৰিব পৰা নহব। সেই কাৰণে মই কব বিচাৰিছো যে এগ্ৰো ইণ্ডাষ্ট্ৰিৰ ওপৰত জোৰ দি কৃষিৰ যিখিনি এক্সচেচ শ্ৰমিক সেই খিনি লোকক শিল্পৰ ফাললৈ নিব লাগিব। তেতিয়াহে আমাৰ কৃষি উন্নতি সম্ভৱপৰ হব পাৰিব। এইখিনি কৈয়েই মই মোৰ বক্তব্যৰ শেষ কৰিলো আৰু কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰিছো।

★ Shri Md. Umaruddin, (Minister Agriculture etc): Mr. Speaker Sir, I am grateful to the Hon'ble Members for putting forward valuable suggestions to bring about better agricultural production through various measures and I will give my own views on this

*Speech not corrected

later. At the outset, I would like to reply to some of the points and criticisms Mr. Bora and Mr. Barua have advanced. Mr. Bora at the very beginning said that the Govt. have not given enough attention to the farmers problems. In other words, he intended to say that we have neglected the farmers, because ever since the First Five Year Plan enough time and money were given under the Panchayat Act and under the Community Development Programmes and certain Blocks were created and officers of the various departments placed particularly the Agriculture Deptt. They have posted Agricultural Extension officer, Gram Sevak etc. Of course the number was inadequate for the work. But at the same time there are certain administrative lacunna in certain aspects. The Agricultural Extension Officers under the Agriculture Deptt. and Gram Sevaks were to carry out extension works for improved agriculture They were to propagate amongst the farmers the use of improved seeds, fertilizers, improved methods of cultivation and thereby to improve production. This line of communication between the department on the one hand and the farmers on the other hand were not good. That is the reason why they want change particularly in the chain of the administration. There are certain defects and that is the reason why we could not make an impact which ought to have been made in the last two decades in the agricultural sector. I want to point out one thing that these agricultural problems have got certain specific dimension. It is one of the departments which is to deal with the largest number of people i. e. 90% of the population depend on agriculture and we have population of nearly one crore sixty lakhs. About one crore forty lakhs are farmers and they are scattered over the vast area of the State, some are in accessible areas, and some are in inaccessible areas. To maintain communication with them is difficult. We will have to impart them enough lessons on improved agriculture. The Hon'ble Members should appreciate that it is a very vast problem.

how to maintain contact with the Director of Agriculture down below upto the farmers. Therefore, Sir, in that context enough thought was not given and that is the reason why we could not create an impact. I can assurc the House that in some places our farmers have got opportunities but in other places they are just as backward as they were about 20 years back. The thing is that we could not contact them, we could not provide them improved facilities and facilities for improved agricultural production. Now this problem of organisational set-up to which Mr. Giasuddin Ahmed M. L. A, Mr. Saikia, M. L. A and Mr. Nurul Islam, M. L. A. have referred to are the vital question. I will just present what we have done so far. Therefore. Sir, it is true that farmers have not been neglected but the problem is very vast. We could not give due facilities which ought to have been given and that is the basic problem in these areas.

Now about corruption in the aerials pray, the matter has already been taken up by the Public Accounts Committee and the matter is under enquiry and if any irregularity or any negligence or deficiencies of the department come to light, I can assure the Hon'ble Members that necessary action will be taken up in due course.

Now again it is mentioned about the selection of indigenous varieties of crop seeds. Agricultural science has advanced so far as various species. types of crops and plants are concerned. We can have more varieties but we should not be very critical about the varieties for more production. Therefore. we are trying to move in that direction.

Now therefore Sir, we are after our own varieties of crops and food to which we are giving attention to different species plants and improved varieties. Sir, the science of Agronomy, science of plant i. e. Botany all these things are studied in the

Agricultural Universities and research is going on to give better result to the farmers. Now Sir, we are thinking about farmers' community in the field level through the Gaon Panchayat as well as Gaon Panchayat Samities who are now arranging to provide improved methods of agriculture to the farmers. Now Sir, we have adopted one strategy and that for poor farmers or small farmers- and most of our farmers are in that group and we want to put the number of small farmers in one group, give them irrigation facilities, fertilizer, improved seeds and improved methods of cultivation and make them work under intensive supervision, the result has become almost practical. This time I saw some places in the district of Goalpara and elsewhere, the production is, I am told, to the tune of 20 mds per bigha. Now Sir, the land in Assam is vast and fertility is there. We have not been able io push our developmental programme in such a way to increase our production. But whatever might have been done in the past, so far we have not been able to explore our full potentiality as far as possible. So Sir, we are giving encouragement to good farmers. As Mr. Giasuddin Ahmed has pointed out that under the high yielding variety programme production can be increased. Sir, I am to say that in order to increase the agricultural production, we have to encourage our farmers to take to improved method of cultivation, providing them with improved seeds, fertilizers as well as irrigation facilities.

The scheme for the betterment of Farmers falling under certain categories—small farmers whose lands are less than 15 20 bighas and marginal farmers whose lands are not less than 8-10 bighas. These classes of farmers have been brought under special S. F. D and they get certain subsidy both for fertiliser and seed and are also provided with irrigation facility. Also we are trying to group them and organise them so that they can participate in

the improvement of their condition. Then again they are taught to cultivate more than one crop.

My friend, Shri Saikia, pointed out that we have made certain breakthrough in the matter of wheat crop. So far as extension of wheat crop is concerned we had some years back, 4-5 thousand haetares. But in 1972-73 we had increased the area to 11 thousand hectaes, but there was again a drop in 1973-74. Then there was trouble again in the year 1974-75 the year of crisis when a terrible flood came causing vast devastation in various parts of the State causing colossal loss of agricultural produce and a lot of suffering to the people and we attained a 50% increase having an yield of 75 thousand tones in an area of 60 thousand hactaes. Sir, this is not a mean achievement. This year we have special effort. Hon'ble Members will realise we are trying to raise it further and we will be able to, notwithstanding some difficulty, achieve the same level of production as in last year. Incidentally, I want to say that we want to raise 3 lakh tone more which cost about 45 crores if not more. My own view is that— when the soil is suitable for production of wheat and by using improved fertiliser why should we not produce wheat and earn more money and let the money come to our own farmers. This is possible and wheat is spreading to other parts of the State— Tezpur, N. Lakhimpur, Dhemaji, Jorhat and Dibrugarh. We have taken substained programme to motivate the cultivators to grow more wheat when the land is available. This year our target was to raise wheat crop in 18 thousand hectaes but unfortunately we have not been able to achieve this target. Because of fair weather the cultivators have grown more Sali Paddy which otherwise would have been available for wheat. That caused higher production of paddy and this paddy was available to us in December otherwise we would have received in the shape of wheat. This is one reason—why we have not been able to achieve the target in wheat. But we have gai-

ned the other way. The Hon'ble minister said— regarding Research in Agriculture that we are trying to decentralise our research in Agriculture and applied agriculture research also. Sir, for that we have taken certain organisational step in hand. Then again. Sir, Hon'ble Member has raised the question of soil testting. Soil testing is important but the soil of Assam is such that it has been brought under 3-4 categories and once the farmers know to what category his land falls then he can derive necessary benefit by using the right fertilisers and cropping pattern.

Then he has mentioned about the cuitivation of Tapioca. Sir, we have taken certain steps to popularise Tapioca which is also a starch food and is an industrial raw material for certain processed food. Therefore I can inform Mr. Bora that we are taking up cultivation of Tapioca in large scale but it has failed due to climatic condition—due to early rain in March—the flowers are damaged and therefore we have abandoned it. After all there are certain crops which grow in certain climatic conditions and we have found that Cashew Nut is a plant which cannot be grown with profit in our State.

Now Shri Barua has raised a number of points of which the important is about Sugarcane Cultivation. Sir, I quite agree with him that Sugarcane cultivation should receive our attention and I can tell you, Sir, that we have taken up certain programme in our hand and we have executed these in Cachar and Nowgong. Certain advance action has already been taken. Some specialists have been posted better quality of sugarcane seeds are being provided and we are trying to induce the farmers to take to improved method of cultivation and to increase the sucrose contents in sugarcane.

Then again sir, Mr. Barua mentioned about the high price of fertilisers and the difficulty of the farmers. It has become a way

to say that he cannot pay for high yielding variety of seeds, he cannot pay for the fertilisers and irrigation charges. That is the reason why we are trying to improve the agriculture production. That is why we have formed agricultural society. We have already made agents for supply of seeds and fertilisers. This is a question of organisation of farmers. The basic point is that we want some social workers who can organise the farmers and take lead in motivating them to take to improved method. That is why we are lagging behind and we hope that with the active collaboration and support from the Honb'le Members and the influence they have in their locality they will help by motivating the farmers and tell them about the necessity of adopting the improved method of agriculture not only for the good of the farmers but for the good of the whole state for economic benefit.

Hon'ble Member has mentioned about Horticulture. Sir, horticulture is one subject that we have not given much notice of. I have taken notice of the problem and we are going to appoint an expert for detection of disease in orange. We have taken some action in the districts of Dibrugarh, Kakapathar, Saikhowa area and Makum and Doom Dooma where all farmers get horticulture extension benefit for their improved crop. Therefore we are taking some steps to bring improved variety of seedlings and try to resist the disease and also in the case of research. I can assure you sir, this should be looked after.

It is a related matter. We are absolutely from the point of view of policy, from the point of view of our own urge to do something good for our people— there is no doubt about. It has also mentioned about the wastage of funds on which I have already replied. Then we have accepted the policy of extension of wheat cultivation. But so far as the question of alleged malpractices in seeds are

concerned, I have already received the report and I have gone through it. They are about non-germination of seeds and about inadequate germination of seeds of which enquiries will be made and action will be taken against those who will be responsible for this. But such cases are few and far between. Then he has referred to the question of regulated marketing. Ms. Bora has also referred to this problem. Sir, we have taken preliminary steps to regulate the market. Then, we have taken steps to establish regulated market in other areas also. So far as the regulated market is concerned, I would like to state that we are in shortage of everything. We are in shortage of food. Though we have made some advance, but still we are in shortage of food. It is only that some gap has been reduced. But we are yet to be self-sufficient which we are trying to meet by making some special programmes. Sir, when things are in short supply, the price will definitely go up. In this connection I can tell you that five years back the mustard-oil seed was sold at a rate of Rs. 25/- to Rs. 27/- per maund. Now, mustard oil seed is sold at a price of Rs. 70/- to Rs. 80/- per maund. So is the case of pulses and other necessary grains. Now, we have got to meet the shortages by importing from outside. You will be surprised to hear that 2/3rd of our food-grains are imported from outside. Sir, I may be in a position to announce before the House that we have launched upon an extensive programme and we have fixed certain norms as between the farmers and the lowest level of workers, i. e., the village level of workers who are also called village Extension workers. Formerly, he had in his charge 2,500 families. Now, that has been reduced to 500 families and in certain areas it is 800. Similarly, we are having a pyramidic structure right from the village level to the Subdivisional level and from the Sub-divisional level to the District level and from the District level to the State level. Therefore, I am telling that we have already taken a decision. Our Agricultural Sub-divisions are going to be small and it may be more than two

Agricultural Sub-divisions in one Civil Subdivision. Then, we are taking the Panchayat as our lowest development unit. So, where we have only two gram-sevaks, we may have 8 to 10 or more if the population so demands. Therefore, sir, all these things have been taken care of. But agricultural development is not a short-term programme. It is a long-term programme. It takes time to have the result. But our main concern is how to attain self-sufficiency in food production. I, as the Agriculture Minister, feel that the State has got the potentiality to feed its people. Now, it is for us to explore this potentiality to the fullest extent. Sir, everything can wait but food cannot wait. A man usually takes the minimum of 500 gms of rice. Therefore, we have taken into account the gap between the requirement of production and the shortage, and our effort is now to bridge the gap and then to attain the range of self-sufficiency as speedily as possible. I can tell you that it is very difficult to motivate the farmers, I have myself tried to induce the farmers to grow 30 maunds of rice per bigha with the help of bank loans. But if the people take loans for higher production and default to pay the loans and come up again for further loans then a stalemate sets in and wholething breaks down. But how to keep it going on. Here lies the leadership, the local leadership. Sir, my friend Mr. Nurul Islam has stated that let us force our farmers to take loans let us force them to take agriculture, to force them to go in for irrigation water. It is very easy to say such things but it is difficult to put them into practice. It is possible in a country where things are done by regimentation. But we are living in a democratic country where things are done not by regimentation but by pursuasion & with the willing consent of the people. Therefore, it is necessary to maintain contact with the people & explain to them the importance of our plans and programmes and not by method of compulsion as my friend has stated so that they will be willing partners to

whatever is taken up by the Govt. for their good. These are some of the basic problems. Therefore, sir, so far as I am concerned, the deptt is concerned we are committed to bring about a change there is no doubt about it. We may succeed or may not succeed is a different matter. But so far as the initiative is concerned, the determination is concerned— they are there. With these words, sir, I will request the Hon'ble Members to withdraw the cut Motion.

Mr. Speaker : Grant No. 26. There is no Cut Motion.

Now, I put the main motion. The motion is that a sum of Rs. 2,500 be granted to the Minister in charge to defray the charges which will come in course of payment during the year ending the 31st Mareh, 1977 for the administration of the 'head 265—Other Administrative Service (III) Vital Statistics."

The Grant is passed.

Now, Grant No. 66. There is no Cut Motion. Now, I put the main motion. The motion is that a sum of Rs. 16,69,800, be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1977, for the administration of the head "304—Other General Economic Services (II)—Weights and Measures."

Grant is passed.

Now, Grant No. 69.

There is a Cut Motion. Mr. Bora আপুনি উইড্ৰো কৰা নাই ?

শ্ৰীসোনেশ্বৰ বৰা : নাই কৰা।

Mr. Speaker : Now, I put the Cut Motion. The motion is that the total provision of Rs. 6,43.99,600 under Grant No 69, Major head "305-Agriculture", pages 689-778 of the Budget, be reduced to Re. 1., i.e, the amount of the whole grant of Rs. 6,43,99,600 do stand reduced to Re. 1.

Cut motion is lost.

Now, I put the main motion. The motion is that a sum of

Rs. 6,43,99,600 be granted to the Minisrer-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1977 for the administration of the head 305 - Agriculture."

The Grant is passed.

Then, Grant No. 72. There is no Cut Motion. Now, I put the main motion. The Motion is that a sum of Rs. 16.07,200 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1977, for the administration of the head "308 - Area Development".

The Motion is passed. The Grant is passed (5)

Now Grant No. 97. There is a Cut Motion. Now I put the motion. The Motion is that the total provision of Rs. 40,00,000, under Grant No. 97, Major head "505—Capital outlay on Agriculture" at pages 1113-1115 of the budget, be reduced to Re. 1, i.e. the amount of the whole grant of Rs. 40,00,000, do stand reduced to Re. 1.

Cut Motion is withdrawn.

Now, I put the main motion. The motion is that a sum of Rs. 40,00,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1977, for the administration of the head "505—Capital Outlay on Agriculture."

Grant No. 97 is passed.

Now. Item No. 3.

Shri Giasuddin Ahmed. : Are you moving Item No. 3 ?

Shri Giasuddin Ahmed : Sir, much has heen said on the subject throughout the day. Therefore, I am not moving Item No. 3.

Mr. Speaker : Now, the Housestands adjourned till 10 a.m. tomorrrow (9. 3. 76).

ADJOURNMENT

The House then rose at 5-01 P.M. and stood adjourned till 10 A.M. on Tuesday, the 9th March, 1976.

P. D. BARUA
Secretary
Assam Legislative Assembly

Dated Dispur
8-3-76